বৈষ্ণৱী-কীৰ্ত্তন

মহাপুৰুষ

শ্ৰীশ্ৰীশঙ্কৰ দেৱ, শ্ৰীশ্ৰীমাধৱদেৱ

প্ৰভৃতি ভণীত।

প্ৰকাশক,

শ্ৰীগঙ্গাধৰ বৰকটকী।

বৰকটকী কোম্পানী,

যোৰহাট,

১৮৭৫ শক, ৫০৫ শঙ্কৰাব্দ।

মূল্য—এটকা দুঅনা।

Title বৈষ্ণৱী-কীৰ্ত্তন

Author [illegible] বৰকটকী

Accession No.

Accession No.........................

STATE CENTRAL LIBRARY

GOVERNMENT OF ASSAM

SHILLONG.

1. Books may be retained for a period not exceeding fifteen days by members
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence. Unless a borrower points out the injury at the time of borrowing the book, he shall be required to replace the book or pay its price.

পাতনি।

সৰ্ব্বসাধাৰণৰ উপকাৰৰ অৰ্থে এই "বৈষ্ণৱী-কীৰ্ত্তন" কিতাপ-খনি প্ৰকাশ কৰা হল। বৈষ্ণৱসকলৰ ই অতি আৱশ্যকীয় বস্তু, একমাত্ৰ সাৰ। ইয়াৰে নাম-প্ৰসঙ্গ আদি সুন্দৰৰূপে কৰিব পাৰিব। ইয়াক পাঠ কৰিলে জ্ঞান, তত্ত্ব বৃদ্ধি হব; ঈশ্বৰৰ চৰণত ভক্তি সিজিব। ইয়াত গুণমালা, লীলামালা, ভটিমা, চপয়, টোটয়, বৰগীত, নাৰায়ণ কৱচ, কীৰ্ত্তন, ঘোষা, তাৎপৰ্য্য, এটকা সাধুৰ খুনা। ইয়াৰ বাহিৰেও সকলো আৱশ্যকীয় বস্তু পাব। ইয়াৰ একোখনি ভদ্ৰ মহোদয়সকলে হাতমেলি দাঙ্গি ললে আমাৰ অৰ্থক্ষয় আৰু পৰিশ্ৰম সাফল হোৱা বুলি মানিব পাৰিম। ইতি—

ইং ১৯৫৩ চন।

শ্ৰীগঙ্গাধৰ বৰকটকী,

বৰকটকী কোম্পানী,

যোৰহাট।

শ্ৰীকৃষ্ণায় নমঃ ।

বৈষ্ণৱী-কীৰ্ত্তন বা নাম-কীৰ্ত্তন ।

শ্লোক—শ্ৰীকৃষ্ণায় বাসুদেৱায় দেৱকীনন্দনায় চ ।
নন্দগোপকুমাৰায় গোবিন্দায় নমো নমঃ ॥
নমঃ পঙ্কজনাভায়, নমঃ পঙ্কজমালীনে ।
নমঃ পঙ্কজনেত্ৰায়, নমস্তে পঙ্কজাঙ্ঘ্ৰয়ে ॥
বসুদেৱসুতং কৃষ্ণং কংসচাণুৰ মৰ্দ্দনং ।
দেৱকীহৃদয়ানন্দং শ্ৰীকৃষ্ণং বন্দে জগদ্‌গুৰুম্ ॥
হৰি ৰাম ৰাম ॥

ধ্যান—ধ্যেয়ঃ সদা সবিতৃমণ্ডলমধ্যবৰ্ত্তী,
নাৰায়ণঃ সৰসিজাসনসন্নিবিষ্টঃ ।
কেয়ূৰবান্ কনককুণ্ডলবান্ কিৰিটী,
হাৰী হিৰণ্ময়বপুৰ্ধৃতশঙ্খচক্ৰঃ ॥

—০:*:০—

Please handle the book carefully

বৈষ্ণৱী-কীৰ্ত্তন

STATE CENTRAL LIBRARY ASSAM
Call No. 487/R

দেৱ-ভটিমা।

পৰম পুৰুষ পুৰাতন পাপী
পাৱন ঈশ্বৰ দেৱ।
ব্ৰহ্মা ৰুদ্ৰ আদি দিক্‌পাল
যাকু কৰত নিত্য সেৱ॥
যক্ষ ৰক্ষ বিপক্ষ লক্ষ
লক্ষ ক্ষয়ঙ্কাৰী।
দুষ্ট দৈত্য দানৱ দলন
দীন দাৰিদ্ৰ্য দুঃখ ভয়হাৰী॥
অঘ বক কুবলয় ধেনুক কেশী
কংস নাশী বনমালী।
গোপী পিন-পয়োধৰ ঘৰিষণ চঞ্চল
কৰ যুগশালী॥
আনন্দ সিন্ধু সাধুজন বন্ধু
মধুৰ মূৰতি মুৰনাশী।
বিৰিন্দা-বিপিন বিহাৰ বিশাৰদ
শাৰদ ইন্দু পৰকাশী॥

বৈষ্ণৱী-কীৰ্ত্তন।

কোটি মদন-মন মোহনৰূপী
পৰশন পৰমানন্দ।
সিদ্ধ মুনিবৃন্দ সাদৰ বন্দিত
যাকৰ এ পদদ্বন্দ্ব॥
পালন প্ৰলয়া সৃজনা জগতক
যাহেৰি পৰম বিহাৰ॥
যাসু নাম ধৰি অধম পাপী
পাৱত ভৱনদী পাৰ॥
সোহি গোপালক কেলি নাটক
ওহি মুকুতি নিদান।
ভো ভো সভাসদ সাধুজন সব
শুন মন কয় সাৱধান॥
কলিকো পাপহৰ নাহি অতঃপৰ
জানি তেজহু আন কাম।
কহে কৃষ্ণ কিঙ্কৰ আপোন উদ্ধৰ
ডাকি বোলহু ৰাম ৰাম॥

ভাটৰ ভটিমা।

পৰি পুনু ভাট চপয় কহে বাণী।
কৃষ্ণক আগে ৰূপ গুণক বখানি॥

বৈজন্তৰী কীৰ্ত্তন

জয় যদুনন্দন দেৱক দেৱা।
তোহাৰি চৰণে কৰোহো বহু সেৱা॥
তোহাৰ মহিমা কহতু নাহি অন্ত।
পূৰল পৰল কীৰিতি দিগন্ত॥
তোহাৰ সম পুৰুষ কহিতু নাহি পাই।
বোলো অব বচনক শুনহ গোঁসাই॥
হামাকু কুণ্ডীল নগৰী অনুপাম।
আছে কন্যা এক ৰুকমিণী নাম॥
ভীষ্মক ৰাজ নন্দিনী বৰবালা।
বাঢ়য় নৱ যেন চান্দক কলা॥
কি কহব ৰমণীক ৰূপ প্ৰচুৰ।
ৰদনক হেৰি চান্দ ভেল দূৰ॥
নয়নক পেখি পাৱত বড়ি লাজ।
কৰল ঝাম্প কমল জল মাঝ॥
বন্দুলি অধিক অধৰ ৰুচকান্তি।
গুতিম মোতিম দশনক পান্তি॥
সুবলিত ভুজযুগ ৰতন মোলান।
উৰু কৰী কৰ কটি ডম্বৰুক ঠান॥
নবপল্লব ৰুচি পদযুগ সোহে।
পেখিয়ে সুৰ নৰ মুনি মন মোহে॥
বাণী অমিয়া ৰসগুণে নোহে হীন।
ৰাজকুমাৰীক বয়স নবীন॥

CENTRAL LIBRARY. ASAM

কতনো যতনে বিধি কয় নিৰমাণ।
সোহি কন্যা হয় প্ৰভু তোহাৰি সমান॥
কহলো স্বৰূপ অব বচন বিচাৰি।
হোৱয় গৃহিণী যবে ৰুকমিণী নাৰী॥
তৱ গৃহবাস সাফল হয় নাথ।
কহলো ভাটে উপৰক তুলি হাত॥
কৃষ্ণৰ কিঙ্কৰে ওহি শঙ্কৰে বোল।
কৰ অব নৰসৱ হৰি হৰি বোল॥

শুন শুন ৰুকমিণী মাই। হৰি গুণ কহন নযাই॥
মুখ ইন্দু কোটি পৰকাশ। দশন মোতিম মন্দ হাঁস॥
নয়ন পঙ্কজ নৱপাতা। কৰতল উতপলৱাতা॥
মদনক ধনু ভ্ৰূভঙ্গ। ভুজ যুগ বলিত ভুজঙ্গ॥
বহল হৃদয় সিংহবন্ধ। ত্ৰিবলী বলিত কটি স্কন্ধ॥
উৰু কৰী কৰ অৱভাস। মৃদু পদ পঙ্কজ বিকাশ॥
নখচয় চন্দ্ৰক পান্তি। পদতল অলকত ভান্তি॥
ধ্বজ জব পঙ্কজ সোহে। পেখিয়ে ত্ৰিভুবন মন মোহে॥
অভিনৱ তৰুণ মূৰতি। কি কহব ৰূপ বিভূতি॥
গতি গম্ভীৰ মৃগৰাজ। কোটি মদন হেৰি লাজ॥
তুহোঁ নৱ তৰুণী প্ৰধান। সো হৰি নবীন যৌৱন॥
তুহোঁ এক বয়স সমান। কয়লি বিধি নিৰমাণ॥
ভুবন নিৰুপম ৰূপ। শুন ধনি বচন স্বৰূপ॥
যৱ তৱ পতি সোহি হোই। সাফল জীৱন তৱ তোই॥
কহল ভিক্ষুক সৱ জানি। কৃষ্ণৰ কিঙ্কৰে গোলে বাণী॥
তযু সামাজিক কাম। ডাকি বোলহু ৰাম ৰাম॥

গুৰু-ভটিমা।

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণকু ৰেণু শতকোটি
বাৰেক কৰোহোঁ প্ৰণাম ॥
দৰশিত সুন্দৰ গৌৰ কলেৱৰ
যৈছন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ ॥
বিনে অঙ্গভূষণ পেখি সুশোভন
গহীন গম্ভীৰ ধীৰ মতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহু জ্যোতি ॥
লীলা গজগতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন কলিকো কালে
যাকু সম নাহি ধীৰ ॥
যোহি নাৰায়ণ মায়া বিস্তাৰি
কৰু ত্ৰিজগত নিৰমাণ।
সনক সনাতন যোগী যাকেৰি
মহিমা কবহু নজান ॥

বৈষ্ণৱী-কীৰ্ত্তন।

সকল চৰাচৰ পালনকাৰী
যো হৰি দেৱক দেৱা।
চতুৰ বয়ন শিৱ সুৰপতি যাকেৰি
কৰু নিত্য চৰণহি সেৱা॥
চাৰি বেদ সৱ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক কয়লি কলিকো
শঙ্কৰ দেৱ পৰকাশ॥
ত্ৰিভুবন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগত তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ॥
মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ।
সৱ নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ॥
অবনিশি চাৰি বেদ বিচাৰি
বেকত কৰু হৰি নাম।
যাকেৰি বয়নে মিলাই গাই
পাই মনোৰথ কাম॥
পণ্ডিত মানি বেদ বখানি
গৰব কয়লি সব চুৰ।

গীত কবিত্ব গুণ শঙ্কৰ দেৱৰ
কীৰিতি গয়ো বহুদূৰ ॥
শ্ৰীযশ দান মান ভূত দায়া
সব গুণ সম্পন্ন ঠিক ॥
ভকতক ভকতি দানে কৰু গুৰু
দায়া তনয় অধিক ॥
হৰিক মূৰুতি শুৰুতি মন মগন
মজ্জল আনন্দ-সিন্ধু।
ঐছন নিৰমল হৃদয়ে বিকাশিত
ভকত কুমুদকুল ইন্দু ॥
নিজ কুল তাৰি ভকতি বিস্তাৰি
বান্ধল হৰিগুণ সেতু।
কলিযুগে পাপ- পয়োধি সব নৰ
তাৰণ কাৰণ হেতু ॥
ভকতি ভাণ্ডাৰ দ্বাৰসব ছোড়ি
মুকুতি কয়লি উদাস।
এক শৰণ হৰি নাম ধৰম কহো
ৰাজা কৰু পৰকাশ ॥
কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি অন্ত নাপাই।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখ সুখে পায় ॥

মাধৱ দীন মূৰুখমতি কহয়
বাণী শুন সৱ লোই।
বিনে গুৰু চৰণ ভকতি ৰকতি
মুকুতি কবহু নহোই॥
ওহি পৰম তত্ত্ব বেদকো বাণী
জানি নৰ নকৰ বিৰাম।
ধৰমক কৰমক গৰবক ছোড়ি
ডাকি বোলহু ৰাম ৰাম

গুণমালা

ঘোষা—ৰাম নিৰঞ্জন। পাতক ভঞ্জন॥

নমো নাৰায়ণ সংসাৰ কাৰণ।
ভকত তাৰণ তোমাৰ চৰণ॥
তুমি নিৰঞ্জন পাতক ভঞ্জন।
দানৱ গঞ্জন গোপিকা ৰঞ্জন॥
বেদান্ত গায়ক বংশী বায়ক।
জগত নায়ক মুকুতি দায়ক॥
ভকতৰ ঋদ্ধি কৰা সৰ্ব্ব সিদ্ধি।
বিধাতাৰ বিধি দীন দয়ানিধি॥

ভকতি ৰোচন দুঃখ সঙ্কোচন।
পাতক মোচন কমল লোচন॥
দৈত্য অন্তকাৰী গোবৰ্দ্ধনধাৰী।
ভৱ ভয়হাৰী তুমিসি মুৰাৰি॥
কালীক দমিলা পুতনা শুষিলা।
দেৱক তুষিলা ব্ৰজক ভূষিলা॥
কেশী বৎসবক সমস্ত দৈত্যক।
লগাইলা চমক ডকাইলা যমক॥
তুমি বাৰম্বাৰ হুয়া অৱতাৰ।
পৃথিবীৰ ভাৰ খণ্ডিলা অপাৰ॥
ইন্দ্ৰক দমিলা ব্ৰহ্মায়ে নমিলা।
বনত ভ্ৰমিলা গোপীক ক্ৰীড়িলা॥
পশি ৰঙ্গশাল যত মহামাল।
কৰিয়া আস্ফাল বধিলা গোপাল॥
তযু গুণনাম ধৰ্ম্ম অনুপাম।
মোক্ষ অৰ্থকাম সাধা প্ৰভু ৰাম॥
মাৰি দশগ্ৰীৱ জনকৰ জীৱ।
পাইলা সদাশিৱ তুমি জগজ্জীৱ॥
তোমাৰ চৰিত্ৰ পাতকীৰ মিত্ৰ।
পৰম পৱিত্ৰ কৰিলা বিচিত্ৰ॥
পণ্ডিত পাৱন এভৱ ভাৱন।
অসুৰ দমন তুমিসি বামন॥

অগতিৰ গতি ত্ৰিজগত পতি
তোমাত ভকতি থাকোক সম্প্ৰতি ॥
শ্যামল শৰীৰ জলদ ৰুচিৰ।
গহীন গম্ভীৰ গুণৰ মন্দিৰ ॥
কুণ্ডলে মণ্ডিত অসুৰ দণ্ডিত।
পাতক খণ্ডিত তুমিসি পণ্ডিত ॥
দাৰিদ্ৰ্য মৰ্দ্দন কৰুণা সদন।
বংশী বদন মুকুতি মদন ॥
হাস্য দৰিশন পাপ কৰি ছন।
দোষ মৰিষণ কাম বৰিষণ।
জগত আধাৰ দৈৱকী কুমাৰ।
সংসাৰত সাৰ চৰণ তোমাৰ ॥
তুমি ভগৱন্ত মহিমা অনন্ত।
তাৰিলাহা সন্ত পুৰুষ মহন্ত ॥
তুমি সুবৎসল পুৰুষ নিশ্চল।
নাহি কিছু ছল ভকত বৎসল ॥
তুমি অৱতৰি অসুৰ সংহৰি।
সৃষ্টি আছা ধৰি দেৱ শ্ৰীহৰি ॥
অঘাসুৰ ঘালী মহাবলশালী।
দমিলাহা কালী তুমি বনমালী ॥
কৰি পৰাভৱ খেদাইলা দানৱ।
ভকত বান্ধৱ তুমিসি মাধৱ ॥

কৰি অবিচ্ছেদ দৈত্য কৰি ভেদ।
খণ্ডিলাহা খেদ উদ্ধাৰিলা বেদ॥
জগতক বশ্য কৰিলা অৱশ্য।
ভৈলা মহা মৎস্য ব্ৰহ্মাৰ নমস্য॥
তুমি মহাহংস আসি নিজ অংশ।
হুয়া যদু বংশ বধিলাহা কংস॥
জগত নিঃশেষ সবাত প্ৰবেশ।
ভৈলা হৃষীকেশ নাজানি উদ্দেশ॥
তুমি পীতাম্বৰ কৰি আড়ম্বৰ।
বধিলা সম্বৰ প্ৰভু বিশ্বম্ভৰ॥
তুমিসি অচ্যুত আনন্দে আপ্লুত।
ভকত বহুত কৰিলা মুকুত॥
ধৰি মৎস্যকায় সত্যব্ৰত ৰায়।
প্ৰলয় অপায় তাৰিলা লীলায়॥
কূৰ্ম্ম কলেৱৰ ধৰিলা মন্দৰ।
মথিলা সাগৰ নভৈলা ভাগৰ॥
বৰাহ শৰীৰে উদ্ধাৰি ভূমিৰে।
হিৰণ্যাক্ষ বীৰে মাৰিলাহা ছিৰে॥
নৰসিংহ ৰূপু ভৈলা দিব্য বপু।
বধিলাহা ৰিপু হিৰণ্যকশিপু॥
ভৈলা অদিতিত বামন উদিত।
মূৰুতি ললিত বলিক ছলিত॥

যামদগ্নি ৰাম কাটি চামেচাম।
ক্ষত্ৰিয়ৰ নাম নথৈলা সংগ্ৰাম॥
ভৈলা কৌশল্যাত শ্ৰীৰাম জাত।
ৰাৱণ বিঘাত কৰিলা লঙ্কাত॥
ৰাম হলধৰ ৰোহিনী কুমৰ।
মাৰিলা ইতৰ দ্বিবিদ বানৰ॥
বুদ্ধৰূপে ছন্ন কৰি বেদগণ।
মুহিলাহা মন ত্যজিয়া সজ্জন॥
হুয়া কল্কী চণ্ড যতেক পাষণ্ড।
কৰি খণ্ড খণ্ড বিহিলাহা দণ্ড॥
ধৰি বাৰম্বাৰ দশ অৱতাৰ।
পৃথিবীৰ ভাৰ খণ্ডিলা অপাৰ॥
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে।
হৰি হৰি নৰে বোলা নিৰন্তৰে॥

ঘোষা—হৰি হৰি ৰাম। হৰি হৰি ৰাম॥

নমো লক্ষ্মীপতি অগতিৰ গতি।
চৰণে সম্প্ৰতি কৰিলো প্ৰণতি॥
গুণ চিন্তামণি সংসাৰ তৰণী।
পাপৰ অগনি ঘুষিয়োক চনি॥

ইতো বিতোপন ধৰ্ম্ম সনাতন।
আকাশে কীৰ্ত্তন কৰে সাধুজন ॥
শুনিয়ো দশম আতি নিৰুপম।
কৃষ্ণৰ পৰম জনম কৰম ॥
দৈত্যেয়ে ভিড়িলা ভাৰেৰে পীড়িলা।
দুঃখ সাক্ষী দিলা পৃথিৱী কান্দিলা ॥
ব্ৰহ্মায়ে প্ৰাৰ্থন্তে আসি ভগৱন্তে।
জন্মিলা জলন্তে দৈৱকীত হন্তে ॥
অদ্ভুত বালক কুটিল অলক।
ৰত্নৰ তিলক শোভে কপোলক ॥
হসিত বয়ন কমল নয়ন।
ৰুচিৰ দশন পীইত বসন ॥
কিৰীটি কুণ্ডল কৰে ঝলমল।
কৌস্তুভে উজ্জ্বল শোভে কম্বুগল ॥
হস্ত চাৰিখান আতি বিতোপন।
কেয়ুৰ কঙ্কণ প্ৰকাশে ভুষণ ॥
বহল হৃদয় বনমালা তয়।
পড়ি গুঞ্জৰয় ভ্ৰমৰে ৰঞ্জয় ॥
ৰতনে ৰচিত মেখলা কটিত।
পাত ভুনি পীত লোটয় মাটিত ॥
উৰু কৰীকৰ জঙ্ঘা মনোহৰ।
কনক ৰত্নৰ ৰঞ্জিত হোড়ৰ ॥

চৰণ পল্লৱ পদ্ম অভিনৱ।
নুপূৰৰ ৰৱ শুনন্তে উৎসৱ॥
অঙ্গুলিৰ পান্তি নখচন্দ্র কান্তি।
দেখি খণ্ডে ভ্রান্তি তাপ উপশান্তি॥
ৰঙা পদতলে অঙ্কুশ কমলে।
চিহ্ন সকলে আতিশয় জ্বলে॥
জগতৰ তাত আছন্ত তথাত।
চাৰি অস্ত্র হাত প্রকাশে সাক্ষাত॥
দেখি দুয়ো প্রাণী এন্তে চক্রপাণি।
মনে অনুমানি বোলে স্তুতি বাণী॥
কৃষ্ণে কথা কৈলা শিশুৰূপ ভৈলা।
নিহল ছোড়াইলা কোলে তুলি লৈলা॥
বসুদেৱ সন্ত লৈয়া লড়িলন্ত।
ফণায়ে অনন্ত ছত্র ধৰিলন্ত॥
নমনীয় কূল যমুনা বিপুল।
ছড়াই তাৰ কূল পাইলন্ত গোকুল॥
কৃষ্ণক থৈলন্ত কন্যাক লৈলন্ত।
বসুদেৱ সন্ত ঘুনাই আসিলন্ত॥
নন্দেয়ে দেখিল পুত্র উপজিল।
উৎসৱ মিলিল মহা দান দিল॥
নন্দ যশোদাৰ গৃহত অপাৰ।
কৰিলা বিহাৰ জগত আধাৰ॥

অনেক যন্ত্রণা কৰিলা মন্ত্রণা।
আসিলা পুতনা শুষিলা চেতনা ॥
পৰম সঙ্কট দধি দুগ্ধ ঘট।
সহিতে শকট কৰিলা উলট ॥
দৈত্য চক্রবাত ভৈল কন্ধপাত।
কৃষ্ণৰ লীলাত পৰিয়া শিলাত ॥
জগতৰ স্বামী প্রভু অন্তর্য্যামী।
মাতৃ কোলগামী তুলিলন্ত হাঁমি ॥
জগত নিখিল গর্ভত দেখিল।
বিস্ময় মিলিল যশোদা ডৰিল ॥
আসি গর্গ ঋষি গোপনত বসি।
জাত কর্ম্ম ৰাশি কৰিলা হৰিষি ॥
বিধিয়তে নাম থৈলা কৃষ্ণ নাম।
কহি গুণ গ্রাম গৈলা নিজ ধাম ॥
পাছে ব্রহ্মপুৰে ৰঙ্গে ভ্রমি ফুৰে ॥
সোণাৰ নূপুৰে ৰুণ ঝুন কৰে ॥
অগনি সর্পক যান্ত ধৰিবাক ॥
দেখি দেন্ত হাক নুশুনন্ত তাক ॥
গোপিকাৰ ঘৰে পশি দামোদৰে।
অপকাৰ কৰে দেখি নিৰন্তৰে ॥
গোপীগণ আসি যশোদাত হাঁসি।
কৃষ্ণচেষ্টা ৰাশি কহন্ত প্রকাশি ॥

দেখিলে গোৱালী শিশু বনমালী।
নানা চতুৰালি কৰন্ত ধূৰ্ত্তালি॥
কি কহিব আই কৃষ্ণৰ অপায়।
নদোহন্তে গাই বৎসক পিয়ায়॥
ঘৰে পশি যায় দধি দুগ্ধ খায়।
বানৰে খুৱায় ভাঙ্গিয়া পেলায়॥
কি ভৈল দুৰ্জ্জন তোমাৰ নন্দন।
কৃষ্ণৰ কাৰণ নৰহে জীৱন॥
শুনি হেন বাণী লাজে চক্ৰপাণি।
নেত্ৰে বহে পানী দেখি নন্দৰাণী॥
স্নেহ সম্পজিল সাৱটি ধৰিল।
আশ্বাস কৰিল মুখে স্তন দিল॥
সঙ্গে শিশু গণ খেলে নাৰায়ণ।
মৃত্তিকা ভক্ষণ কৰিলা তেখন॥
দেখি শিশু জাক বোলে যশোদাক।
শুনি বাণী তাক খঙ্গে বোলে বাক॥
কেনে মাটি খাইলি অৰে বনমালী।
নখাইলোহো বুলি দেখায় মুখ মেলি॥
সকল জগত দেখিল গৰ্ত্তত।
হৰিক মনত স্মৰন্ত ভৱত॥
বোলন্ত বিস্ময় মোহোৰ তনয়।
মনুষ্য নোহয় ঈশ্বৰ নিশ্চয়॥

দিনেক প্ৰভাতে রাণী নিজ হাতে।
দধিক তথাতে মথন্ত সাক্ষাতে ॥
আসি দেৱহৰি মথনীক ধৰি।
ৰৈলা ৰঙ্গ কৰি দেখিলা সুন্দৰী ॥
আনিয়া নন্দন বদন চুম্বন।
কৰি ঘনে ঘন পিয়াইলন্ত স্তন ॥
দুগ্ধ উথলিয়া পৰয় দেখিয়া।
পুত্ৰক এড়িয়া গৈল লৱড়িয়া ॥
কেশৱে কুপিলা ধৰি পটা শিলা।
ভাণ্ডক ভাঙ্গিলা যশোদা দেখিলা ॥
বাৰি লৈলা কৰে দেখি দামোদৰে।
নামি উড়লৰে লৰ দিলা ডৰে ॥
যশোদা খেদন্ত ভয়ে ভগৱন্ত।
কান্দন্ত কাম্পন্ত বাৰি এড়িলন্ত ॥
কৰে ধৰি আনি উডুখলে টানি।
বান্ধি চক্ৰপাণি চলি গৈলা ৰাণী ॥
উঁড়ল ঘঁষাই বৃক্ষত লগাই।
উভাড়ি পেলাই ৰঙে আছা চাই ॥
দুই দেৱ বৰ দিব্যৰূপ-ধৰ।
কৰিয়া কাতৰ চলি গৈলা ঘৰ ॥
কিবা ভৈল বুলি নন্দে বান্ধ মেলি।
মলছিয়া ধূলি কোলে লৈলা তুলি ॥

গোপৰ সুন্দৰী বজাৱে চাপৰি।
অঙ্গি ভঙ্গি কৰি নাচে দেৱহৰি॥
পসাৰী ডাকিল কোনে লৈবা ফল।
শুনিয়া চলিল কৃষ্ণ দয়াশীল॥
ধান্যক দিলন্ত ফলক লৈলন্ত।
ৰত্ন অপৰ্য্যন্ত ভাণ্ড ভৰিলন্ত॥
গোকুল ভৱন তেজি নাৰায়ণ।
পাছে বৃন্দাবন কৰিলা গমন॥
বৎস অসুৰ পৰম দন্দুৰ।
কৰি মষিমূৰ নিলা যমপুৰ॥
আসি বকগোটে গিলিলেক ঠোঁটে।
তাক ধৰি চোটে চিৰিলা আস্ফোটে
সৰ্পৰূপে হৰি অঘে ভুলি হাঁসি।
বদন প্ৰকাশি গিলিল গৰাসি॥
ভেন্টিলন্ত গল ভকত বৎসল।
এড়ি মূত্ৰ মল মৰিল নিষ্খল॥
তা'ৰ কৰি কাল বৎস বৎসপাল।
জীয়ায়া তৎকাল বজাইলা গোপাল॥
সঙ্গে শিশুগণ ৰঙ্গে নাৰায়ণ।
অন্ন ব্যঞ্জন কৰিলা ভোজন॥
গোৰক্ষ দামুৰি ব্ৰহ্মা কৰি চুৰি।
থৈয়া ঢাকি ঘূৰি গৈলা নিজ পুৰী॥

বৎস বৎসপাল হুয়া সেহি কাল।
আপুনি গোপাল গৈলা ব্ৰজ-শাল॥
অনেক বিভূতি কৃষ্ণৰ মুকুতি।
দেখিয়া বিস্মৃতি ব্ৰহ্মা ভৈলা ভীতি॥
যেন মৃতৱত পড়িল হংসত।
নাহি আৰ তত চেতন গাৱত॥
ব্ৰহ্মাক মৰন্ত দেখি ভগৱন্ত।
ৰূপ ঢাকিলন্ত তুনাই জীলন্ত॥
হংসযান এড়ি চৰণত পড়ি।
নানা স্তুতি কৰি গৃহে গৈলা লৰি॥
ধেনুকক মাৰি গছক আছাৰি।
তাল ফল পাৰি ভুঞ্জাইলা মুৰাৰি॥
তৃষ্ণায়ে আকুল হুয়া গোপকুল।
যমুনাৰ কূল গৈলা হুয়া ভুল॥
খাইল বিষজল ভৈলন্ত বিহ্বল।
জীৱনে বিকল মৰিল সকল॥
দেখি নাৰায়ণ অমৃক নয়ন।
চাহিলা তেখন লভিলা চেতন॥
কদম্বে চড়িলা হ্ৰদত পড়িলা।
কালীয়ে ঝড়িলা শিড়ত চড়িলা॥
ফণাৰ ওপৰে দেৱ দামোদৰে।
উঠি নৃত্য কৰে সিটো সৰ্প মৰে।

নাগ-পত্নীচয় বুলিলা বিনয় ।
কালীক নিৰ্ভয় দিলা কৃপাময় ॥
তীৰত চড়িলা জ্ঞাতিয়ে বেঢ়িলা ।
গলত বান্ধিলা যশোদা কান্দিলা ॥
নিকালি কালিক পিলা বনাগ্নিক ।
গোপ গোপীক ৰক্ষিলা অধিক ॥
প্ৰলম্ব অৰিষ্ট চিন্তিলা অনিষ্ট ।
মাৰিলা গৰিষ্ঠ ৰাম যে বলিষ্ঠ ॥
বেড়ি কুঞ্জবন লাগে হুতাশন ।
দেখি গোপগণ ভৈলা ভয়মন
পাছে নাৰায়ণে সদয় নয়নে ।
তাৰি ৰঙ্গমনে আনিলা তেখনে ॥
বসন্ত গ্ৰীষ্মত বৰ্ষা শৰতত ।
ক্ৰীড়া নানামত কৰিলা ব্ৰজত ॥
একচিত্ত কৰি গোপৰ কুমাৰী ।
সাধে ব্ৰত ধৰি স্বামী হৈবা হৰি ॥
বস্ত্ৰ থৈয়া তীৰে কেৱল শৰীৰে ।
যমুনাৰ নীৰে স্নানি ধীৰে ধীৰে ॥
কৃষ্ণে কৰি লীলা বস্ত্ৰক হৰিলা ।
কদম্বে চড়িলা হাসি বস্ত্ৰ দিলা ॥
কৰ্ম্মক উচ্ছাদ বিপ্ৰক বিষাদ ।
পত্নীক প্ৰসাদ দিলাহা আহ্লাদ

বদতি শঙ্কৰ শুনা সবে নৰ।
আন পৰিহৰ ভজা দামোদৰ ॥
দিন কতিপয় জীৱন নিশ্চয়।
যাইবা যমালয় নাহিকে সংশয় ॥
বিনা লক্ষ্মীপতি নাহি আন গতি।
জানিয়া সম্প্ৰতি কৰিয়ো ভকতি ॥
তেবেসে নিস্তৰি পুৰুষ উদ্ধাৰি।
হৃদি ৰূপ ধৰি মুখে বোলা হৰি ॥
মাধৱৰ নাম ধৰ্ম্ম অনুপাম।
এৰি আন কাম বোলা ৰাম ৰাম ॥

— × —

টোটয়।

মধুদানৱদাৰণ-দেৱবৰং। বৰবাৰিজলোচন-চক্ৰধৰং ॥
ধৰণী-ধৰধাৰণধ্যেয়পৰং। পৰমাৰ্থবিদ্যাশুভনাশকৰং ॥
কৰচূৰ্ণিতচেদিপভূৰিভগং। ভগভূষণকাৰ্চ্চিতপাদযুগং ॥
যুগনায়কনাগৰবেশৰুচিং। ৰুচিৰাংশুপিধানশৰীৰশুচিং ॥
শুচি-চামৰবায়ুনিসেব্যতনুং। তনুমধ্যগদেহসুবেশহনুং ॥
হনুমন্তহৰীশসহায়ৰতং। ৰতবাঙ্গপৰায়ণশক্ৰনতং ॥
নতবৰ্ত্তুলস্থূলসুদীৰ্ঘভুজং। ভুজগাধিপতল্পশয়ানমজং ॥
অজৰামৰবিগ্ৰহবিশ্বগুৰুং। গুৰু-গোধন-কামদকল্পতৰুং ॥

তৰুণীমনমোহনসৰ্ব্বস্বভং । শুভমঙ্গলদায়কনীলনিভং ॥
ইভকুম্ভজমৌক্তিকমাল্যবহং । বহুলোৰসমিষ্টপসৰ্ব্বসহং ॥
সহজায়তিপদ্মদলাক্ষচিদং । চিদানন্দবিনোদনবেদবিদং ॥
বিতুষাত্মন-মণ্ডপ-কম্বুগলং । গলশোভিতকৌস্তুভভীমবলং ।
বলভদ্ৰসহোদৰসত্যবপুং । বপুনিৰ্দ্দিতবিশ্বসুৰাৰিৰিপুং ॥
ৰিপুযূথপযূথপদৰ্পহৰং । হৰমৌলিনিঘৃষ্টপদাব্জপৰং ॥
পৰলোকসহায়সহস্ৰমুখং । মুখৰালিকুলাকুলমাল্যসুখং ॥
সুখমোক্ষদদক্ষৰমাৰমণং । মনসোপৰিমেয়সহস্ৰফলং ॥
ফলতোস্মিনতোস্মিনতোস্মি হৰিং হৰিবৈৰিহুতাসনভোগ্যহৰিং
হৰিকিঙ্কৰ-শঙ্কৰ ঈশপদে । পদমিচ্ছতিগায়তিচামৃতদে ॥

কোমল গীত ।

কৰতলকমল কমলদলনয়ন ।
ভৱদৱদহন গহন-বনশয়ন ॥
নপৰনপৰপৰ শতৰত গমৱ ।
সভৱঅভৱ ভৱ মমহৰ শততৱ ॥
খৰতৰবৰশৰ হতদশবদন ।
খগচৰ নগধৰ ফণধৰ শয়ন ॥
জগদঘ মমহৰ ভৱভয়তৰণ ।
পৰপদলয়কৰ কমলজবয়ন ॥

শ্লোক —বেদে ৰামায়ণে চৈব পুৰাণে ভাৰতে তথা ।
আদিমধ্যাবসানেষু হৰিঃ সৰ্ব্বত্ৰ গীয়তে ॥১॥
মূকং কৰোতি বাচালং পঙ্গুং লঙ্ঘয়তে গিৰিং ॥
যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱং ॥২
নিগমকল্পতৰোৰ্গলিতং ফলম্
শুকমুখাদমৃতদ্ৰৱসংযুতম্
পিৱত ভাগৱতং ৰসমালয়ন্
মুহুৰহো ৰসিকা ভুৱি ভাবুকাঃ ॥৩৪॥
যদক্ষৰং পৰিভ্ৰষ্টং মাত্ৰাহীনঞ্চ যদ্ভবেৎ ।
সম্পূৰ্ণং তদ্ভবেৎ সৰ্ব্বং শ্ৰীকৃষ্ণস্য প্ৰসাদতঃ ॥৪॥

— × —

বড়গীত

[পুৰাৰ গীত]

ৰাগ শ্যাম ।

পৰভাতে সুমৰো গোবিন্দ হৃষীকেশ ।
চিদানন্দ মূৰুতি কপট গোপবেশ ॥
সত্য সনাতন নিত্য নিৰঞ্জন দেৱ ।
অনাদি অনন্ত যোহি বিনে নাহি কেৱ ॥

সোহি প্ৰভু নাম ধৰে নন্দকু নন্দন।
কৰো পৰভাতে তযু চৰণ বন্দন॥
সনক সনন্দ যোগী যাহাকু ধিয়াই।
সকল নিগমে যাকু বিচাৰি নাপাই।
চতুৰ বয়ন ভৱ কৰু যাক সেৱ।
গোপ নন্দ ভবনে বেকত সোহি দেৱ॥
অৰুণ নয়ন নখ অৰুণ বৰণ।
অৰুণ অধৰ চাৰু অৰুণ চৰণ॥
নীলমণিনিভ তনু এ জগজীৱন।
কহয় মাধৱ গতি নন্দকু নন্দন॥

ৰাগ সেয়ে।

তেজৰে কমলাপতি পৰভাত নিন্দ
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোবিন্দ॥
ৰজনী বিদূৰ দিশ ধৰলি বৰণ।
তিমিৰ ফাৰিয়া বাজ ৰবিৰ কিৰণ॥
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰাই।
ব্ৰজবধূ দধি মথে তুৱা গুণ গাই॥
দামে সুদামে ডাকে তেৰি লৈয়া নাম।
হেৰ দেখ উঠিয়া আসিল বলৰাম॥
নন্দ গেল বাথানে গোৱাল গেল পাল।
সুৰভী চাৰিতে লাগে উঠৰে গোপাল॥

ক্ষীৰ লৱণু লৈয়া শিঙ্গা বেত বেণু।
সকালে মেলিয়ো বৎস হেম্বেলাৰে ধেনু ॥
কহয় মাধৱ মাই কিনো তপসাইলা।
ত্রিজগত পতি হৰি বাখোৱাল পাইলা ॥

ৰাগ কৌ

উঠেৰ ঠউ বাপু গোপাল হে
নিশা পৰভাত ভৈল।
কমল নয়ন বুলি ঘনেঘন
যশোৱা ডাকিবে লৈল ॥
মোৰ প্রাণধন সুচান্দ বয়ন
গাৱ চালি তেজ নিন্দ।
সর্ব্ব পুৰুষৰ শিৰৰ ভূষণ
তুমি সে বাপু গোবিন্দ ॥
মোৰ পুত্র বুলি যশোৱা গোৱালী
বুকে বান্ধি কোলে লৈলা।
বয়নে চুম্বন কৰি ঘনে ঘন
আনন্দে মগন ভৈলা ॥
সিদ্ধ মুনিগণে চিন্তিয়া নপাৰে
সো হৰি যশোৱা কোলে।
ত্রিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে ॥

ৰাগ শ্যাম।

পৰভাতে শ্যাম কানু ধেনু লৈয়া সঙ্গে।
বংশীৰ নিস্বানে বৃন্দাবনে চলে ৰঙ্গে॥
জগতৰ গুৰু হৰি কাচি গোপ কাচে।
আভিৰ বালক বেঢ়ি চলে আগে পাছে॥
শিকা বান্ধি চান্দি কান্ধে লৈয়া দধি ভাত।
মাথায়ে চান্দনি জৰী সাজে জগন্নাথ॥
বাম কাষে শিঙা বেত নেত কক্ষ চেলি।
বহু ৰসে লাসে বেশে চলে কৰি কেলি॥
অসংখ্য সহস্র শিশু ধেনু বৎসগণ।
শিঙা শঙ্খ বেণু ৰৱে পূৰায়ে গগণ॥
নানান খেলান খেলে বহু ভাবে গাৱে।
নানান বিনোদ ৰসে ভুবন ভুলাৱে॥
বৈকুণ্ঠৰ পতি হৰি বনে চাৰে ধেনু।
কহয় মাধৱ গতি কানুপদৰেণু॥

ৰাগ সেয়ে।

মাই মাই খেলত গোপাল গোঁসাই॥
কালিন্দী পুলিন বন এহি যদুনন্দন
ফিৰত গউৱা চৰাই।
গজপতি গমন চলয় জগজীৱন
গোধন আগু বুলাই॥

আনন্দে নন্দ- নন্দন পৰমানন্দ
মোহন বাঁশৰী বজাই।
সনক সনাতন যতহু যোগীজন
যাকেৰি চৰণ ধিয়াই ॥
সো হৰি নন্দ গোকুল মহ মিলল
দীন মাধৱে গুণ গাই।

—×—

রাগ আসোৱাৰী।

জয় জয় যাদৱ জলনিধিজাধৱ ধাতা
শ্রুতমাত্রাখিলত্রাতা।
স্মৰণে কৰয় সিদ্ধি দীন দয়ানিধি
ভকতি মুকুতিপদদাতা ॥
জগজন জীৱন অজন জনাৰ্দ্দন
দনুজ দমন দুঃখহাৰী।
মহদানন্দ কন্দ পৰমানন্দ
নন্দনন্দন বনচাৰী ॥
বিবিধ বিহাৰ- বিশাৰদ শাৰদ
ইন্দু নিন্দি পৰকাশী ॥
শেষ শয়ন শিৱ কেশী বিনাশন
পীত বসন অবিনাশী ॥

জগত বন্ধু বিধু মাধৱ মধুৰিপু
মধুৰ মূৰতি মুৰনাশী।
কেশৱ চৰণ সৰোৰুহ কিঙ্কৰ
শঙ্কৰ কহ অভিলাষী।

—×—

ৰাগ ধনশ্ৰী।

নাৰায়ণ কাহে ভকতি কৰো তেৰা।
মেৰি পামৰু মন, মাধৱ ঘনে ঘন
ঘাতুক পাপ ন ছোৰা॥
যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগতেৰি কায়া।
সবকহু মাৰি পূৰত ওহি উদৰ
নাহি কৰত ভূত-দায়া॥
ঈশ স্বৰূপে হৰি সৱঘটে বৈঠহ
যৈছন গগণ বিয়াপি।
নিন্দা বাদ পৈশূন্য হিংসা হৰি তেৰি
কৰোহো হামু পাপী॥
কাকু শঙ্কৰ কৰ কৰু কৰুণানাথ
যোন ছাৰহু ৰাম বাণী।
সৱ অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহু জানি॥

—*—

রাগ গৌৰী

নাচে ভালি নাচে মদন গোপালা।
বজায়া মোহন বেণু গলে বনমালা॥
অৰুণ চৰণ দুহোঁ থমকে চলাই।
ঈষত ঈষত হাঁসি পঞ্চমে গাই॥
শ্যামল সুন্দৰ চান্দ বয়ন বিকাশ।
কহয় মূৰুখমতি মাধৱ দাস॥

—•—

ৰাগ গৌৰী।

ৰাম পৰম ধন চিন্তহু মন ভাই।
তনু চিন্তামণি জন্ম বিফলেহি যাই॥
বিষয়ক সুখ শূকৰী কহোঁ পায়।
হৰিপদ সেৱা মানবী বিনে নাই॥
ঝুণ্টা ঐছন জনম গোঞাই।
বিষয় কাচক লাগি মাণিক বিকাই॥
ওহি পৰমতত্ত্ব বেদক বাণী।
কহয় মূৰুখমতি মাধৱে জানি॥

ৰাগ সেৱে।

সোই সোই ঠাকুৰ মোই যো হৰি পৰকাশা॥
নাম স্মৰত ৰূপ ধৰত
তাকেৰি হামু দাসা॥

পণ্ডিতে পঢ়ে শাস্ত্র মাত্র
সাৰ ভকতে লিয়ে।
অম্বুৰ জল ছুটয় কমল
মধু মধুকৰ পিয়ে॥
যাহে ভকতি তাহে মুকুতি
ভকতে এ তত্ত্ব জানে।
যৈছে বণিক চিন্তামণিক
জানিয়া গুণ বখানে॥
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰ কহে
ভজ গোবিন্দক পায়।
সোহি পণ্ডিত সোহি মণ্ডিত
যো হৰি গুণ গায়॥

ৰাগ সেয়ে।

নাহি নাহি ৰময়া বিনে, তাপ তাৰক কোই।
পৰমানন্দ, পদ মকৰন্দ, সেবহু মন মোই॥
তীৰথ বৰত, তপ জপ যাগ, যোগ যুগুতি।
মন্ত্র পৰম, ধৰম কৰম, কৰত নাহি মুকুতি॥
মাতা, পিতা, পতনী, তনয়া, জনম সব মৰণা।
ছাড়হুঁ ধন্ধ, মানস অন্ধ, ধৰতু হৰি চৰণা॥
কৃষ্ণ কিঙ্কৰ, শঙ্কৰ কহ, বিছোৰি বিষয় কাম।
ৰাম চৰণ, লেহু শৰণ, জপ গোবিন্দৰ নাম।

ৰাগ তুৰ ভাটিয়ালী।

নাথ তাৰিয়ো তাৰিয়ো তাৰিয়ো যদুমণি।
মজিলো এ ভৱসিন্ধু তোমাক নজানি॥
এভৱ সাগৰ মাজে পৰি হামু ভাসি।
কাম ক্রোধ কুম্ভীৰ মকৰে গিলে আসি॥
শোক মোহ ভয় মহাপাকে তল কৰে।
তৃষ্ণা তৰঙ্গে পায়া সব শ্রুতি হৰে॥
চিন্তা নাম বাড়ৱ-অগনি শোষে প্রাণ।
নাহিকে তৰণী তুৱা পদ বিনে আন॥
জানিয়া তোমাৰ পাৱে পশিলো শৰণ।
কহয় মাধৱ গতি অৰুণ চৰণ॥

ৰাগ সেয়ে।

কেমনে পাইবো হৰি চৰণ তোৰে।
এ দুঃখ সাগৰে উদ্ধাৰ মোৰে॥
এ ভৱ আটোপ অৰণ্য মাজে।
কাম ব্যাধে মৃগ মাৰিতে সাজে॥
হামো পশু মায়াজালত বন্দী।
নাহি দেখোঁ হামু পলাইতে সন্ধি॥
কাম ক্রোধ কুত্তা কামুৰি খায়।
বিষয় বিষ লাগি এজীৱ যায়॥

ৰূপ ৰস আদি এ পঞ্চবাণে।
হৃদয় মাজে হামু ফুটল টানে॥
পাপ পুণ্য ভৈল এ বৰ ডোৰ।
গলাৰ মাজে ছান্দি বান্ধিল মোৰ॥
কালব্যাধে ধৰি লই যায় টানি।
ৰাখু ৰাখু মোৰে শাৰঙ্গপাণি॥
কাসৰো কাল বিভু সবাৰ হৰি।
নাহি নাহি আৰ তোমাৰ সৰি॥
জানিয়া শৰণ লৈলো তোমাৰ পায়।
দীন মাধৱ দাসে এ ৰস পায়॥

ৰাগ আসোৱাৰী।

ৰামক বাণী জপহু মন ভাই।
কলিকো কালে আৱৰ গতি নাই॥
যাকোৰি বয়নে ৰহত ৰাম বাণী।
তাকেৰি চৰণ ৰেণু লেহু জানি॥
ৰাম চৰণ যোহি কৰত উপাসা।
তাকেৰি হোঁ হামু দাসকু দাসা॥
মাধৱ দাস মূৰুখমতি গাই।
ৰহু মন ভকত চৰণ ৰেণু লাই॥

ৰাগ ভাটিয়ালী।

দয়াৰ ঠাকুৰ হৰি যদুমণি ঐ ৰাম
অধমে তোমাৰ নাম ডাকে।
কৃপা কৰা নাৰায়ণ আমাৰ চঞ্চল মন
তোমাৰ চৰণে যেন থাকে॥
এক বিপ্ৰ অজামিল মন্দমতি পাপশীল
পুত্ৰ ভাৱে স্মৰি তোমাৰে।
কৰ্ম্মবন্ধ কৰি নাশ বৈকুণ্ঠে পাইলে বাস
ইতো আতি বিদিত সংসাৰে॥
তাতো কোটি কোটি গুণ পাপমতি নিদাৰুণ
তোমাৰ নামত কৈলো আশা।
পৰম পতিত আমি পতিত পাৱন তুমি
ই জানিয়া কৰিলো ভাৰসা॥
ধন্য ধন্য কলি কাল ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰতবৰিষে।
তপ যপ যজ্ঞ তেজি তোমাৰ চৰণে ভজি
তৰা নাম ঘোষয় হৰিষে॥
সকল নিগমে কয় অতয়ে তোমাক পায়
আক ভালে জানি নাৰায়ণ।
মাধৱ মূৰুখমতি তুৱা পাৱে যদুপতি
সত্যে সত্যে পশিলো শৰণ॥

রাগ—কেদাৰ ।

(ৰাম) পাৰে পৰি হৰি কৰোহো কাতৰি
প্ৰাণ ৰাখবি মোৰ ।
বিষয় বিষধৰ বিষে জৰ জৰ
জীৱন নাবহে থোৰ ।
অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহু সংসাৰ ।
পুত্ৰ পৰিবাৰ সৱহি অসাৰ
কৰবো কাহেৰি সাৰ ॥
কমলদল-জল চিত্ত চঞ্চল
থিৰ নোহে তিল এক ।
নাহি ভয়ো ভৱ ভোগে হৰি হৰি
পৰম্পদ পৰতেক ॥
কহতু শঙ্কৰ এদুঃখ সাগৰ
পাৰ কৰা হৃষীকেশ ।
তুহু-গতি-মতি দেহু চিৰিপতি
তত্ত্ব পন্থ উপদেশ ॥

—×—

রাগ ভাটিয়ালী ।

হৰি মোৰ হৰি মোৰ এ দীন দয়াল ।
কে জানিতে পাৰয়ে তোমাৰ ঠাকুৰাল ॥

নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সোহি জন্মে জীৱৰ জনম দূৰ কৰা॥
সহজে অকৰ্ত্তা কৰ্ম্ম কৰা অপৰ্যান্ত।
সোহি কৰ্ম্মে জীৱৰ কৰ্ম্মৰ কৰা অন্ত॥
তুমি প্ৰভু নিৰ্গুণ গুণেৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ সোহি গুণ গাই॥
কহয় মাধৱ মেৰি ওহি আশা মনে।
সহজে-পীৰিতি মাগো তোমাৰ চৰণে॥

—*—

ৰাগ—আশোবাৰী

বেসায়ো ভাৰতে হাট, আউৰ বেসি নাটে।
চলিতে নিকট ভয়ো ভৰা দিয়া জাটে॥ ধ্ৰুং॥
ভাৰত হাটত আছে অনেক দোকানী।
নিচিনি কিনিলে পুন্ন মিলিবে বিঘিনি॥
যাতে তাতে নথাকয হৰিনাম ৰত্ন।
মহন্ত দোকানী ৰাখে কৰি মহা যত্ন॥
সাধু দোকানীৰ সঙ্গে কৰিয়া যতন॥
যাঁৱে বেলি তাৱে লেহু ৰাম নাম ৰত্ন॥
ভাৰত হাটত নৰ নাৱ পচি যাই।
হুয়ো সাৱধান কৃষ্ণ কিঙ্কৰে গাই॥

—*—

বড়গীত

প্ৰাতু সময়ে যশোৱা জননী
মুখ-চুম্বিত শ্যাম জগাৱনকো।
উঠ মেৰে লাল মদন গোপাল
আৰে তেৰে গোৱাল বলাৱনকো॥
অব কটিয়া লেহু মাখন চঞ্চ পুৰি
মুৰবী লেহু শ্যাম বজাৱনকো।
বৃন্দাবনে যোহি আনন্দ কৰু
যমুনা তটে ধেনু চৰাৱনকো॥
ছোড়ি ভুবন চলহু নন্দনন্দন
গোধন চাৰণ কাৰণ ৰে॥
দাম সুদাম সখাসৱ মিলাৱত
আনন্দে গোবিন্দ খেৰি খেলাৱত ৰে॥
শত শত বৎস অমল বিমল
নবীন চবীন লাৰত ৰে।
শিঙ্গা উপাঙ্গ বেণু মুহ বাজত
হেৰি গোৱাল ভুৱালত ৰে॥
গিৰিপতি ধ্যান তেজি অৱধান
মুৰলীক লান বিমোহিত ৰে।
তেহোঁ জগন্নাথ দাসকি মাধৱ
মুহ ভৰি ৰায় কহাৱত ৰে॥

—০:*:০—

প্ৰসঙ্গীয়া ঘোষা।

কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
কৃষ্ণ কৃষ্ণ ৰাম, জয় জয় ৰাম॥
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ॥

গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী॥
গোবিন্দ ৰাম মুৰাৰি, মুকুন্দ ৰাম মুৰাৰি।
ভকতি ৰোচন দুঃখ বিমোচন ভকতৰ ভয়হাৰী॥
পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰি।
অনাদি অনন্ত অচ্যুত গোবিন্দ ভকতৰ ভয়হাৰী॥
জয় যাদৱ এ, মোৰ প্ৰাণ জীৱেৰ জীৱন নাৰায়ণ।
ভকতৰ ধন তযু অৰুণ চৰণ॥

যাদৱ যদুনন্দন, মাধৱ মধুসূদন।
তুমি নিত্য নিৰঞ্জন নাৰায়ণ,
তোমাত লৈলোঁ শৰণ॥

ইবাৰ করুণাময় হৰি কমলাপতি,
মোকে নছাড়িবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি।
সত্যে সত্যে পশিলো শৰণ॥
হৰি চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ।
মানবী জনম সফল কৈলো, এ হৰি নাৰায়ণ॥
গোপাল গোবিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ॥

দীনবন্ধু ৰাম দয়াশীল দেৱ।
তুৱা পদ কমলে সদায় কৰো সেৱ॥
মোৰ প্ৰভু ৰাম, করুণাসাগৰ।
আমি দুঃখিতক নছাড়িবা দামোদৰ॥
মধুৰিপু ৰাম কমললোচন।
তুৱা গুণ নাম ভৱভয় বিমোচন॥
বন্দো মাধৱ মধুৰিপু ৰাম।
তুৱা পদকমল যুগল হৰি এ॥

মাধৱ মাধৱ মাধৱ মধুৰিপু।
গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম॥
নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়।
মুৰাৰি এ হৰি হৰি ৰাম॥

প্ৰাণ গোপাল দীনবন্ধু নাৰায়ণ ॥
হে হে পৰম গুৰু পুৰুষুত্তম, হৰি পুৰুষুত্তম,
পুৰুষুত্তম পুৰুষুত্তম জয় পুৰুষুত্তম ॥

হৰি হৰি হৰি হৰি হৰি হৰি হৰি, কি কাম কৰিলো আমি।
সাধু সঙ্গ লৈয়া তোমাক নভজি, ভৈলো কিনো অধোগামী ॥
নিজ দাস হুয়া সেৱাক তেজিলো।
এহি দোষে ঘোৰ আপদে মজিলো ॥
তুমিসি সুহৃদ আত্মা প্ৰিয়তম।
তথাপি তোমাক নজানো অধম ॥
তুমি নিজ পিতৃ গুৰু ইষ্ট মোৰ।
মই মন্দমতি ভৈলো সেৱাচোৰ ॥
অধমকো তাৰে তোমাৰ ভকতি।
তথাপি তোমাক নভজো কুমতি ॥
ইষ্টদেৱ বুলি তোমাক নধৰো।
নিকাৰ ভুঞ্জিয়া সংসাৰতে মৰো ॥
তুমিসে কেৱল কৰুণাসাগৰ।
তোমাক নভজো কি মই পামৰ ॥
এবে কৃপাময় দিয়োক শৰণ।
দোষ মৰিষণ তোমাৰ চৰণ ॥
ইবাৰ ঈশ্বৰ নছাড়িবা মোক।
মোৰ মন মাজ তোমাতে ৰহোক ॥

হিয়াৰ মাজে নামৰ ভাণ্ডাৰ, মুখে বাক্ত হয়।
ৰাম নামে মাৰণা মাৰে, পাপ কটকৰ ক্ষয়॥
পাপ বিপক্ষক সংহৰি হৰি নামে খলখলি হাসে।
সকলো ধৰ্ম্মৰ উপৰে বসিয়া হৰি নাম প্ৰকাশে॥
মুকুতি সুখক বশ্য কৰি হৰি নামে আনন্দত নাচে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে॥
আপোন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চৰে।
যিতো নাম লয় হৰি তাৰ হয় ইপুনু ৰহস্য বড়ে॥
হৰিগুণ নাম ভাবিয়া পুৰুষে ৰহয় হৰিৰ পাশে।
হৰিৰ চৰণ হৃদয়ে ধৰিয়া কহয় মাধৱ দাসে॥

এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে।
ভগৱন্ত ভজিয়া পৰম গতি পাৱে॥
ভগৱন্ত নভজি চলয় যম ঠাৱে।
ভগৱন্ত ভকতক সমানে নধাৱে॥
ভগৱন্ত ভজিয়া জনম বাহুৰাৱে।
আন যত সৱে মিছা ভক্তিৰ অভাৱে॥
জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মূৰুখমতি গাৱে॥

ন-ঘোষা

দৈৱকীনন্দন দেৱ মোত পৰে নাই কেৱ
পৰম পাতকী সংসাৰত ।
শৰণে পশিলো আমি চৰণে ৰাখিয়ো স্বামী
থৈয়ো নিজ ভৃত্যৰ সঙ্গত ॥
তযু ভকতৰ সঙ্গে গাইব গুণ মহা ৰঙ্গে
শ্রৱণে শুনিবো যশ যত ।
হৃদয়ত ধৰো ৰূপ তেবে তৰো ভৱকূপ
এহি মানে মাগো চৰণত ॥
হে বন্ধু কৃষ্ণদেৱ মোত পৰে নাহি কেৱ
আউৰ পৰম মন্দমতি ।
তুমি হেন প্ৰভু পাই তযু পাৱে ৰতি নাই
মই পাপী গৈলো অধোগতি ॥
ই তিনি লোকত দেৱ হেন আৰ আছে কেৱ
পতিতক ৰাখে সংসাৰত ।
পতিত পাৱন তুমি শাস্ত্ৰ মুখে আছো শুনি
শৰণে পশিলো চৰণত ॥
বৈষ্ণৱৰ পদধূলি মাথে লৈবো হাতে তুলি
কৰিবো শ্রৱণ প্ৰসঙ্গত ।
মুখত নেৰিবো নাম তেবে মোৰ সিদ্ধি কাম
এহিমানে মাগো চৰণত ॥
তুমিসি শঙ্কৰ গুৰু ভকতৰ
কল্পতৰু জানি মই পশিলো শৰণে ।
আউৰ মোৰ নাহি ত্ৰিভুবনে ।
শৰণে পশিলো বাপ গুচায়ো সংসাৰ তাপ
নাম মোৰ নছাড়োক মনে ॥

কীৰ্ত্তন ।

—*—

ঘোষা ।

ত্ৰাহি গোপাল কৃপাল স্বামী ।
মজিলো ভৱ-জলধিত আমি ॥

পদ ।

একমনে শুনা হৰিৰ ধ্যান ।
বৈকুণ্ঠ নামে আছে মহাথান ॥
শাৰী শাৰী ৰঙ্গে বিমানচয় ।
বৈদূৰ্য্য হীৰা মৰকতময় ॥
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি ।
নজানি যাত পশি দিন ৰাতি ॥
চাৰু সৰোবৰ নিৰ্ম্মল জল ।
সুগন্ধি পদ্ম শোভে উতপল ॥
আছে ৰাজহংস সমূহে ৰঞ্জি ।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি ॥
পাৰে পাৰিজাত মলয়া বায় ।
চটকে ত্যজে সুললিত ৰায় ॥
ভ্ৰমৰগণে গায়ে হৰি গীত ।
বৈষ্ণৱগণ শুনি আনন্দিত ॥

হেন বৈকুণ্ঠৰ মাজত পাছে ।
উচ্ছ্ৰিত ৰত্ন মন্দিৰেক আছে ॥
বৈদূৰ্য্যৰ স্তম্ভ স্ফটিক বাৰ ।
মাণিক্য কপাট হীৰাৰ দ্বাৰ ॥
কাটিলা জিঞ্জিৰি সুৱৰ্ণাৱলী ।
বিচিত্ৰ মণি মৰকত স্থলী ॥
পদ্মৰাগ ৰত্নে লগাইলা চৌতি ।
কোটি সূৰ্য্য যেন গৃহৰ জ্যোতি ॥
বিচিত্ৰ চন্দ্ৰাতপ আছে টানি ।
আৰিল মুৰাৰি মুকুতা মণি ॥
হেন মন্দিৰে ৰত্ন সিংহাসনে ।
আছন্ত বসি প্ৰভু নাৰায়ণে ॥
চৌপাশে সেৱে পাৰিষদ যত ।
মৌক্তিক ছত্ৰ ধৰি ওপৰত ॥
ধৱল চামৰে দুপাশে বিঞ্চে ।
সঘনে সুৰভি কুসুম সিঞ্চে ॥
চৰণে অনেক ভকতি ভাৱে ।
উপাসন্ত লক্ষ্মী জগত মাৱে ॥
চৈতন্যময় শুদ্ধ ৰূপ ধৰি ।
পৰম আনন্দে আছন্ত হৰি ॥
আতি চমৎকাৰ ৰূপ বিপুল ।
কন্দৰ্প কোটি যাক নোহে তুল ॥

কোটি ইন্দু সম আছে প্ৰকাশি।
স্মৰণে দহয় গাতক ৰাশি॥
ভকতৰ বন্ধু জগত বাপ।
বোলা হৰি হৰি হৰোক পাপ॥

—— :*: ——

ঘোষা

কৰুণাসিন্ধু, ভকত বন্ধু।
ৰূপে তুল নোহে কোটি ইন্দু॥

পদ

স্থিৰ বুদ্ধি কৰি ভকত জনে।
প্ৰত্যেক অঙ্গক চিন্তিব মনে॥
চৰণ পদ্ম দেখি সুখী হুই।
অৰুণ আতি পদতল দুই॥
অঙ্কুশ পদ্ম ধ্বজ বজ্ৰ যব।
দেখি চিহ্ন তাতে মিলে উৎসৱ॥
চৰণ-পঙ্কজ আছে প্ৰকাশি।
অঙ্গুলি-পান্তি তাৰ ভৈল পাশি॥
দেখিয়া ৰত্নৰ পাকৰি নয়।
প্ৰকাশে তাতে নখচন্দ্ৰচয়॥
ৰতনে উজ্জ্বল উজন্তি যত।
নূপুৰ প্ৰকাশে পাদপৃষ্ঠত॥

ৰত্নৰ হোড়ৰ জ্বলে জঙ্ঘাত
উৰু কৰী কৰ সম সাক্ষাত॥
কটিত প্ৰকাশে বসন পীত।
বান্ধিছে মেখলা ৰত্নে ৰঞ্জিত॥
নাভি সৰোৰুহ ৰুচিৰ কান্তি।
হৃদয়ে প্ৰকাশে শ্ৰীবৎস পান্তি॥
উৰঃস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিত যেন সোণাৰ ৰেখা॥
পীতবস্ত্ৰে শোভে শ্যামল কায়।
তড়িত জড়িত জলদ প্ৰায়॥
ৰহল হৃদয়ে মুকুতা হাৰ।
প্ৰকাশে জিলিমিলি পেচন্দাৰ॥
চিকিমিকি কৰে ৰত্ন উজ্জ্বলা।
আপাদলম্বী গলে বনমালা॥
তাহাৰ মধুগন্ধে হুয়া ভোল।
বেঢ়িয়া মধুকৰে কৰে ৰোল॥
চাৰু চতুৰ্ভুজ শোভে সুঠাম।
ললিত বলিত নীল মোলান॥
কেয়ুৰ কঙ্কণ বলয়া তাত।
প্ৰকাশে নৱ কিশলয় হাত॥
ৰত্নৰ শলাকা অঙ্গুলি পান্তি।
অঙ্গুঠিচয় তাতে কৰে কান্তি॥

অৰুণ নখ চন্দ্ৰমাৰ শাৰী ।
শঙ্খ-চক্ৰ-গদা-পঙ্কজধাৰী ॥
গলত গলপতা সাতসৰি ।
উৰে নৱগুণ পীত উত্তৰী ॥
শ্যামল শৰীৰে শোভে অধিক ।
ময়ূৰ-পুচ্ছ যেন চিকমিক ॥
কম্বুকণ্ঠে শোভে কৌস্তুভ মণি ।
প্ৰভাতে উদিত আদিত্য জিনি ।
পূৰ্ণচন্দ্ৰ-ৰুচি মুখমণ্ডল ।
কৰ্ণত মকৰ দোলে কুণ্ডল ॥
তাৰ ৰশ্মি জ্বলে গণ্ড পাণ্ডুৰ ।
ৰুচিৰ চিবুক চাৰু অধৰ ॥
প্ৰৱাল ৰত্নে যেন কৰে কান্তি ।
সুন্দৰ দন্ত মুক্তাৰ পান্তি ॥
সদায় সুগুচে ঈষত হাঁস ।
নাসা তিলফুল সম প্ৰকাশ ॥
অৰুণ লোচন পঙ্কজ পাশি ।
ধনু সম আছে ভ্ৰুৱ প্ৰকাশি ॥
ৰত্নময় কৰে তিলকে কান্তি ।
কপালে লম্বিত অলকা পান্তি ॥
ৰঞ্জে শিৰে ৰত্নময় মুকুট ।
চূড়ামণি ৰত্নে প্ৰকাশে জুট ॥

তাৰ মাজে ৰত্ন-পঙ্কজমালা।
উজ্জ্বল মুখ তাৰ লাগি জ্বালা ॥
হেন মনোহৰ ৰূপ নিৰেখি।
থাকিব সমস্ত অঙ্গক দেখি ॥
মস্তকৰ পৰা পাদ পৰ্য্যন্তে।
নমাইবে মনক তুনাই দেখন্তে।
ধ্বজ-বজ্র-যব পঙ্কজ যাৰে।
প্ৰদক্ষিণে নমি পৰিব পাৰে ॥
এতেকে হৈবেক পৰম সিদ্ধি।
হৰিসে জানা জগতৰ নিধি ॥
হেলায়ে সংসাৰ তৰিবা পুনু।
নকৰা বিফল মনুষ্য তনু ॥
দৃঢ় কৰি ধৰা হৰিৰ পাৱ।
পাপ সাগৰত এহিসে নাৱ ॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে ॥

ঘোষা

এ প্ৰাণ হৰি গৈলা এৰি।

পদ

হেন হৰি ভৈলোহোঁ বঞ্চিত।
কিমতে ধৰিবো আবে চিত্ত ॥

সুপ্ৰভাত মথুৰা পুৰিৰ ।
মুখপদ্ম দেখিবে স্বামীৰ ॥
জীৱৰ জীৱন প্ৰাণপতি ।
আজি পাইবে কোন ভাগ্যৱতী ॥
কিনো সুপ্ৰসন্ন ভৈল বিধি ।
হাতে পাইলে গোকুলৰ নিধি ॥
মুখপদ্ম চন্দ্ৰ নোহে সৰি ।
আনন্দে দেখিবে নেত্ৰ ভৰি ॥
পাইবে গৈয়া নাগৰী সুন্দৰী ।
আউৰ তুনাই নাসিবন্ত হৰি ॥
সৌহৃদ্ধ ভাঙ্গিলা ক্ষণেকতে ।
উপাসন্ত লক্ষ্মী কেনমতে ॥
কিনো নিদাৰুণ নাৰায়ণ ।
স্মৰুিলিলা প্ৰবোধ বচন ॥
পতি পুত্ৰ এড়ি ভৈলো চেড়ী ।
কোন সতে প্ৰভু গৈলা এড়ি ॥
কিনো মন্ত্ৰে বান্ধিলেক হিয়া ।
ভকতক গৈল দুঃখ দিয়া ॥
আমি মৰো তোমাৰ বিৰহে ।
জানি কেনমতে হৃদি সহে ॥
এহি বুলি কান্দে গোপনাৰী ।
ৰাম কৃষ্ণ বুলি গেৰি পাৰি ॥

নেত্ৰৰ লোতক পৰে ধাৰে।
ঘনে ঘনে নিশ্বাস ফোঁকাৰে॥
হৰি বিনা নভাষে বচনে।
নপাসৰে সচেতে সপনে॥
ৰাত্ৰি দিনে গাৱে হৰি গীত।
কৃষ্ণতে অৰ্পিলা প্ৰাণ চিত্ত॥
কায়স্থ শঙ্কৰে এতু ভণে।
হৰি কথা শুনা সৰ্ব্বজনে॥
হৰিৰ কীৰ্ত্তন মুখে কৰা।
মাধৱৰ ৰূপ হিয়ে ধৰা॥
অল্প পুণ্যে নপাই আক জানি
সদা নছাড়িবা ৰাম বাণী॥
পাপীজনে হৰি স্মৃস্মৰে।
পাতকে মুখত চেপি ধৰে॥
আনে সুনবন্তে শুনি মৰে।
পাপে চিত্ত উচাপিচ কৰে॥
হৰিধ্বনি শুনি কাণ ফাটে।
নিন্দা কৰি ফুৰে হাটে বাটে॥
হেন জানি পাপক সংহৰি।
সদায় ঘোষিয়ো হৰি হৰি॥

—— :*: ——

ঘোষা

কি কৰিলো কি কৰিলো ভকতি নকৰি।
অন্তকে পাইলেক আসি ৰক্ষা কৰা হৰি॥

পদ

নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাগোট মোৰ ভৈল মহাভাৰ॥
কৰ্ণ দুই আছে নুশুনিলো হৰি কথা।
দুগোটা গৰ্ত্তৰ ভাব বহিলোহো বৃথা॥
জিহ্বা মোৰ আছন্তে নলৈলো ৰাম নাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম॥
নেদেখিলো নয়নে প্ৰভুৰ যেন ৰূপ।
সমাকে জানিলো দুয়ো আখি অন্ধকূপ॥
যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখা।
হৰি ৰূপ নেদেখিলো পাইলো তেন আঁখি॥
হাৰপদ তুলসীৰ নলৈলোহো ঘ্ৰাণ।
জীৱন্তে মৰিলো নাসা ভাটীৰ সমান॥
পিন্ধিলোহো বাহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলো একবাৰ॥
কৃষ্ণ কৃত্য নকৰিলো ভৈলোহো বৰ্ব্বৰ।
ইটো হস্ত বাহু মিছা মৃতক শৰৰ॥
পাৱ দুই আছন্তে নগৈলো ক্ষেত্ৰ স্থান।
মোৰ পাৱ ভৈল বৃক্ষ শিপাৰ সমান।

হাঁ হাঁ দয়াময় মোৰ কি কৰিলা গতি ।
প্ৰভু তুৱা নাম লৈতে হৌক মোৰ মতি ॥
কৰ্ম্ম দোষে যিবা জন্ম হোৱে সংসাৰত ।
তাতো নছাড়োক চিত্ত তুৱা চৰণত ॥
সদায় ঘোষোক ৰাম নাম মোৰ মুখে ।
সংসাৰ সাগৰ তৰে তৰো মই সুখে ॥
সকল জগত তুয়া মায়ায়ে মোহিত ।
তোমাৰ চৰণে প্ৰভু কেৱে নেদে চিত্ত ॥
পুত্ৰ দাৰা নিগড়ে বান্ধিলো তুয়া ভৰি ।
নৰকে আছোঁহো তবু নোবোলোহো হৰি ॥
দুৰ্ল্লভ মনুষ্য জন্ম ভাৰতত পাইলো ।
তোমাক নেসেৱি বৃথা জনম গোঁৱাইলো ॥
নিচিন্তিলো একবাৰ তোমাৰ চৰণ ।
ভেক-বন জীয়ে যেন আমাৰ জীৱন ॥
বিষয়ত ভোল হুয়া কৰিলোঁহো ভোগ ।
তাৰ কালে শৃগাল শ্বানৰ ভৈলো যোগ ॥
ভস্ম হবিবাৰ যোগ্য লভিলো শৰীৰ ।
বিষয় বাতাসে পায়া কৰিলে অস্থিৰ ॥
কবে টলবল দেহা কেনে হুইবো পাৰ ।
প্ৰভু দাস বুলি প্ৰভু কৰিয়োঁ উদ্ধাৰ ॥
সুকবি শেখৰ তুৱা দাসৰ দাস ।
কাতৰ কৰোহো দিয়ো চৰণত বাস ॥

তাৎপৰ্য্য ।

পদ ।

শুনিয়োক সৰ্ব্বজন কৃষ্ণৰ চৰিত্ৰ ।
আতপৰে আন পুণ্য নাহিকে কলিত ॥
লভি আছা জন্ম যিটো ব্ৰহ্মাৰ বাঞ্ছিত ।
জানি যত্নে কৰা পান কৃষ্ণ কথামৃত ॥
ক্ষণিক শৰীৰ বিলম্বত কাৰ্য্য নাই ।
চিন্তামণি জন্ম হেৰা হাততে হৰাই ॥
নাহিকে চেতন কাল অজগৰে গিলে ।
ধন জন-জীৱন যাইবেক একতিলে ॥
যত দেখা ভাৰ্য্যা পুত্ৰ সবে অকাৰণ ।
চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ ॥
বিষয়ৰ সুখ একতিলে কৰি চুৰ ।
যমৰ কিঙ্কৰে ধৰি নিবে যমপুৰ ॥
যমৰ মূৰ্ত্তিক দেখি হৰাইবে চেতনা ।
দুৰ্ঘোৰ নৰকে পেলাই ভুঞ্জাইবে যাতনা ॥
হেন জানি কৃষ্ণৰ চৰিত্ৰ কৰা সাৰ ।
তেবেসে তৰিবা ঘোৰ সংসাৰ নিকাৰ ॥
বিচাৰি শাস্ত্ৰত পাইবা এহিসে যুগুতি ।
কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি ॥
কলিৰ পৰম ধৰ্ম্ম জানা হৰি নাম ।
শঙ্কৰে ৰচিলা ডাকি বোলা ৰাম ৰাম ॥

—•—

কৃষ্ণৰ চৰিত্ৰ পৰম অমৃত
আত পৰে নাহি আন।
কোটী কোটি যজ্ঞ জপ তপ দান
সবেও নুহি সমান॥
যত গুণ নাম ধৰ্ম্ম অনুপাম
আক সাৰ কৰি ধৰা।
যত দেৱ ধৰ্ম্ম দূৰতে তেজিয়া
কৃষ্ণত ভকতি কৰা॥
হেন তত্ত্ব জানি চিন্তা চক্ৰপাণি
অনাদৰি আন কাম।
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে
ডাকি বোলা ৰাম ৰাম॥

কেশৱৰ লীলা ইটো শুনা সভাসদ।
পাতক অন্তক মহা ভাগৱত পদ॥
যত ধৰ্ম্ম কৰ্ম্ম যজ্ঞ আৰ অনুচৰ।
আত নাহি গতি আৰ কলিৰ লোকৰ॥
হেন জানি কৃষ্ণৰ চৰণে দিয়া ৰতি।
জানিবা হৰিসে পৰলোকৰ যে গতি॥
ভকত জনৰ নিজ সুহৃদ মাধৱ।
জানিবা হৰিসে পৰলোকৰ বান্ধৱ॥

ইহেন মনুষ্য জন্ম বৃথা যায় আয়ু।
কৈত কেতিক্ষণে পৰে ইটো প্ৰাণ বায়ু ॥
যত দেখা ভাৰ্য্যা-পুত্ৰ সবে অকাৰণ।
চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ ॥
যম যাতনাক তৰিবাৰ কৰা কাম।
শঙ্কৰে ৰচিলা ডাকি বোলা ৰাম ৰাম ॥

---*---

ঘোষা।

শৰণ

হৰিপদ সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি কৰাৱে।
তাৰত মায়াক নতৰে হৰিত
শৰণ নলৱে যাৱে ॥
মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো তেৰা শৰণ ॥
হে কৃষ্ণ স্বামী তযু পাৱে আমি
কেৱলে শৰণ চাওঁ।
কৰা অনুগ্ৰ মায়াৰ নিগ্ৰহ
তেৰেসে প্ৰভু এৰাওঁ ॥

হে যদুপতি　　মই মূঢ়মতি
　　নজানো সেৱা তোমাৰ।
কেৱলে তোমাৰ　　চৰণ পঙ্কজে
　　শৰণ কৰিলো সাৰ॥
পুৰুষ উত্তম　　পৰম পুৰুষ
　　পৰম আনন্দ স্বামী।
তযু পাদপদ্ম　　মকৰন্দ আশে
　　শৰণ পশিলো আমি॥
প্ৰভু ভগৱন্ত　　অনন্ত ঈশ্বৰ
　　প্ৰপন্ন জন তাৰণ।
তুমি প্ৰিয়তম　　পৰম দেৱতা
　　জানিয়া লৈলো শৰণ॥

ভজন

জয় জয় জয়　　কৃষ্ণ কৃপাময়
　　ভজিলো তোমাৰ পাৱে।
তোমাৰ চৰণ　　পঙ্কজত মন
　　মজোক মোৰ স্বভাৱে॥
জয় জয় ৰাম　　জগত কাৰণ
　　জগত জীৱন স্বামী।
পৰম দেৱতা　　জানিয়া তোমাৰ
　　চৰণে ভজিলো আমি॥

অনাদি অনন্ত হে ভগৱন্ত
ভজো কৰি প্ৰণিপাত।
মুকুতি ৰসকো তেজি মহাজনে
শৰণ লয়ে তোমাত॥

নমস্কাৰ

হে কৃষ্ণ দেৱ পাপী বুলি কেৱ
মোক মোৰ নোবোলয়।
পতিত পাৱন জানিয়া তোমাক
আপুনি গৈলো বিক্ৰয়॥
নমো হৰিপদ পঙ্কজ যুগল
বিমল সুখ সাগৰ।
অনাদি অনন্ত দেৱ সদাশিৱ
ভগৱন্ত ভয় হৰ॥
মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ।
যি গুৰু জনত ইসৱ নাথাকে
প্ৰণামো তাহান পাৱ॥
জয় যদুপতি গোপাল গোবিন্দ
যাদৱ মাধৱ ৰাম।
ভকতৰ ধন জীৱৰ জীৱন
কৰোহো পায়ে প্ৰণাম॥

নমো নিত্যানন্দ জগত কাৰণ
বাসুদেৱ ভগৱন্ত।
নিত্য শুদ্ধ বুদ্ধ কাম অনিৰুদ্ধ
পুৰুষ প্ৰভু অনন্ত॥
ৰাম নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন দেৱ।
তুমিসি পৰম গুৰু নাৰায়ণ
তুৱা পাৱে কৰো সেৱ॥

প্ৰাৰ্থনা

কোটি কোটি দোষ অপৰাধ নিতে
কৰো আমি দুৰাশয়।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময়॥
অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ
তুমিসে নিত্য নিৰ্ম্মল।
গুচায়ো কুমতি ভজোহো কেৱল
তোমাৰ পদ কমল।
হে ভগৱন্ত ভজোহো তোমাৰ
অভয় পদ-কমলে।
মই অনাথক ৰাখিয়ো ঈশ্বৰ
অৰুণ চৰণ তলে॥

হে কৃষ্ণ কৃপা- ময় প্ৰভু মোক
করা কৃপা এহিমান।
তোমাৰ চৰণে ৰহোক আমাৰ
সদায়ে নির্ম্মল জ্ঞান॥
জয় জগবন্ধু জগত কাৰণ
নাৰায়ণ নিৰাকাৰ।
কেৱলে তোমাৰ চৰণ পঙ্কজে
ৰহোক মন আমাৰ॥

নিবেদন।

কতনো অমোঘ অপৰাধ হৰি
কৰিয়া আছো প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদাহা সুবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ॥
যিহেতু তোমাৰ চৰণ পঙ্কজে
নভজিলো নাৰায়ণ।
সিহেতু অনাদি অবিদ্যা আমাৰ
কৰিল জ্ঞান উচ্ছন॥
তুমি নিজ পিতৃ গুৰু ইষ্টদেৱ
নভজো তোমাৰ পাৱে।
এহি দোষে মোক যম দূতে ধৰি
যাতনা দুঃখ ভুঞ্জাৱে॥

তুমি প্ৰিয় আত্মা পৰম দেৱতা
তোমাত ভৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুঃখ॥

কাকুতি।

কিমতে ভকতি কৰিবো তোমাত হৰি এ,
মই মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহা বলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ,
আমাৰ মনক তেজিয়া দূৰ নযাই ৰাম ৰাম॥
তোমাৰ মায়ায়ে মন মুহি আছে হৰি এ,
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাওঁ ৰাম ৰাম।
অভয় চৰণে শৰণ পশিলো হৰি এ,
তুৱা গুণ নাম ভকতি প্ৰদীপ চাওঁ ৰাম ৰাম॥
ভকতি মিনতি প্ৰণতি নজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীনমতি নাই ৰাম ৰাম।
তুমি প্ৰভু কৃপাৰসেৰ সাগৰ হৰি এ,
দিয়া মোক তুৱা পদ ছাঁয়া তলে ঠাই ৰাম ৰাম॥
হৰি এ কৰুণাসিন্ধু জীৱন বন্ধু,
গতিমতি তুমি নাৰায়ণ।
তুৱা গুণ নাম ভকতৰ মহাধন॥

পতিত বুলিয়া মোক হৰি হৰি এ ৰাম,
তেজিতে নপাৰা নাৰায়ণ।
পৰম করুণা গুণে হৰি হৰি এ ৰাম,
নাম ধৰিছা পতিতপাৱন॥
দয়াৰ ঠাকুৰ হুয়া দয়া কেনে নকৰয়।
ৰাম কৃষ্ণ নাৰায়ণ দীন দয়াময়,
মোকে কৃপা কৰা হৰি এ,
দান্তে ধৰো তৃণ, মাথে ধৰো তৃণ।
তুমি কৃপাময়ক নজানো এতদিন॥
মোকে কৃপা কৰা এ,
ঐ বন্ধু ৰাম, প্ৰাণবন্ধু ৰাম,
নেড়োক মুখে ৰাম কৃষ্ণ নাম, মোকে কৃপা কৰা এ।
পতিতপাৱন বুলি নাৰায়ণ এ,
পৰম পতিতে ডাকে আতুৰ হুয়া।
তযু বেদবাণী আমি আছোঁ শুনি এ,
মহা মহা পাপী তৰে তযু নাম লৈয়া॥
তুৱা গুণ নাম অমৃত আশায় এ,
তোমাৰ চৰণে বিকা গৈলো মূঢ়মতি,
চৰণত ধৰো কাতৰ কৰো এ,
মই অনাথক নছাড়িবা যদুপতি॥
তোমাৰ সেৱক ভৈলো নাৰায়ণ এ,
নিশ্চয়ে তোমাৰ দিবাক লাগে প্ৰসাদ।

নিজ ভৃত্য কৰি লৈয়ো গোপীনাথ এ,
তযু কৃপাময় মিলয় কোন প্ৰমাদ ॥
হে দয়াশীল দেৱ দামোদৰ এ,
তোমাৰ চৰণে বোলোহোঁ কাকুতি বাণী।
মোক নিজ দাস কৰি লৈলে হৰি এ,
কহিয়ো কৃপাল তোমাৰ কি হয় হানি ॥
পৰম কৃপালু হুয়া যদুপতি এ,
কোন অপৰাধে মোক ভৃত্য পৰিহৰা।
শাস্ত্ৰতো প্ৰসিদ্ধ অজ্ঞানতো হৰি এ,
যিটো নাম লয়ে তাকে মোৰ বুলি ধৰা।
জ্ঞানশূন্য আতি পশুপক্ষী জাতি এ,
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলো এ,
আমাক তোমাৰ তেজিতে উচিত নয় ॥
তোমাৰেসে নিজ ভৃত্য ভৈলো হৰি এ,
কৃপাৰ সাগৰ তুমি মোৰ নিজ স্বামী।
মই অনাথক নৰক্ষিবা হৰি এ,
তযু সেৱা ৰস আশা কৰি আছো আমি ॥
বেদৰ গুপুত বিত্ত নাৰায়ণ এ,
দৈৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত।
জীৱৰ তাৰণ হেতু নাৰায়ণ এ,
প্ৰচাৰিলা নিজ যশ ধৰ্ম্ম বিপৰীত ॥

ভকতৰ বশ্য হুইবাৰ শঙ্কায় এ,
যোনো মোক তুমি দাস পৰিহৰা হৰি।
ইটো শঙ্কা হৰি দূৰতে তেজিয়া এ,
লৈয়োক তোমাৰ ভৃত্যৰ অধীন কৰি॥
তোমাৰ গুণৰ মহিমা দেখিয়া এ,
আন যত কাম দূৰতে তেজিয়া থৈলো।
তয়ু পদসেৱা ৰসক আশায় এ,
তোমাৰ একান্ত ভৃত্যৰ কিঙ্কৰ ভৈলো॥
সহজ কৃপালু গুণক প্ৰকাশি এ,
ধৰি আছা হৰি ভকতবৎসল নাম।
ধেনু যেনমতে বৎসক পালয় এ,
তুমি সেহিমতে ভকতক পালা ৰাম॥
আমি যত জীৱ তোমাৰ পালন, হৰি হৰি হৰি হৰি এ,
তুমিসে পালিয়া ফুৰা হুয়া অন্তৰ্যামী।
আবে যেবে নিজ ভৃত্য বুজি পালা,
হৰি হৰি হৰি হৰি এ
তেবেসে কৃপাল কৃতকৃত্য হও আমি।
তুমি যাক পালা সিয়ো জন আনি।
হৰি হৰি হৰি হৰি এ,
সংসাৰ নিকাৰ ভুঞ্জিয়া ফুৰো বহুত।
তোমাৰ অধীন হুয়া কেনে আমি,
হৰি হৰি হৰি হৰি এ,
ভৈলোহোঁ স্বতন্ত্ৰ ইটো কিনো অদভুত॥

তোমাক পৰম ঈশ্বৰ নমানি,
হৰি হৰি হৰি হৰি এ,
মহা-অহঙ্কাৰে দ্ৰোহ আচৰিলো আমি।
আৰে তযু পদে শৰণ পশিলো,
হৰি হৰি হৰি হৰি এ,
মই দ্ৰোহীয়াৰ দোষ ক্ষমা কৰা স্বামী ॥
দাস হুয়া তযু সেৱা নকৰিলো,
হৰি হৰি হৰি হৰি এ,
ইটো ঘোৰ অপৰাধৰ চিকিৎসা নাই।
তুমি পুনু প্ৰভু সহজ কৃপালু,
হৰি হৰি হৰি হৰি এ,
শৰণ পশিলো ক্ষমিবে প্ৰভু যুৱাই ॥
মই অজ্ঞানীৰ যতেক অজ্ঞান,
হৰি হৰি হৰি হৰি এ,
কথা কহি কোনে সীমা কৰিবেক তাক।
ইটো মোৰ ঘোৰ দোষ পৰিহৰি,
হৰি হৰি হৰি হৰি এ,
কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক ॥
প্ৰিয়তম আত্মা ঈশ্বৰ দেৱতা,
হৰি হৰি হৰি হৰি এ,
কৃষ্ণেসে সুহৃদ বান্ধৱ গুৰু আমাৰ।
কৃষ্ণৰ চৰণ পঙ্কজ বিনাই,
হৰি হৰি হৰি হৰি এ,
মই অনাথৰ গতি নাহি নাহি আৰ ॥

বস্তু প্ৰকাশ।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি॥
গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
াৰি পুৰুষাৰ্থ তাহাৰ নিজৰা
হৰি নামে মূল ধাৰা॥
হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আৰ বন্ধু॥
হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম ন ম বস্তু বেসায়া জগতে
চলয় বৈকুণ্ঠ পুৰী॥
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥

কৃপা ॥

কৰুণাময় ৰাম কৰুণাময় ।
কৰিয়ো কৃপা যেন উচিত হয় ॥
তুমি সে ৰাম কৃপাৰসৰ নিধি ।
তোমাৰ কৃপা বিনে নাহিকে সিদ্ধি ॥
তোমাৰ কৃপাকেসে কৰিছো আশ ।
অৰুণ পদতলে দিয়োক বাস ॥
সহজে তুমি ৰাম কৰুণাসিন্ধু ।
তোমাত বিনে আন নাহিকে বন্ধু ॥
তোমাৰ কৃপালেশে আমাৰ গতি ।
কহয় মাধৱ মূৰুখমতি ॥

শ্রীকৃষ্ণৰ শতনাম ।

সাধৰে বোলন্ত কহো স্বৰূপ তোমাত ।
মই নপাওঁ অন্ত মোৰ নাম অসংখ্যাত ॥
অল্পেসাধে গতি বিস্তৰত কোন কাম ।
জগত নিস্তাৰে মোৰ একো একো নাম ॥
লোকত প্রসিদ্ধ যিটো মোৰ নামচয় ।
দেওঁ তাৰ লেখ শুনা সখি ধনঞ্জয় ॥
শ্রীকৃষ্ণ, শঙ্কৰ, সদাশিৱ, সনাতন ।
পীতাম্বৰধাৰী, বিষ্ণু, জিষ্ণু জনাৰ্দ্দন ॥

গোবৰ্দ্ধনধাৰী, মধুমথন, ঈশ্বৰ ।
বেণুবাদ্যবিশাৰদ, দেৱ গদাধৰ ॥
যশোদানন্দন, নন্দগোপৰ কুমাৰ ।
কেশৱ, কমলানাথ, প্ৰমথ সংহাৰ ॥
ভাস্কৰ, পুণ্ডৰীকাক্ষ, বিভু, বিশ্বম্ভৰ ।
অনিৰুদ্ধ সত্যসন্ধ, শুদ্ধ, ধৰাধৰ ॥
দৈৱকীনন্দন, হৰি, নিষ্কিঞ্চন ধন ।
বৈকুণ্ঠ কমলাকান্ত, নাথ, নাৰায়ণ ॥
জগত পৱিত্ৰ, পাৰিজাত উপহাৰী ।
বিশ্বমূৰ্ত্তি, ৰামচন্দ্ৰ, কামদ, কংসাৰি ॥
অনন্ত, অচ্যুত অঘাসুৰবিমোচক ।
কিৰীটি-কুণ্ডলধাৰী, ত্ৰিপুৰ অন্তক ॥
শ্ৰীপতি পৰম আত্মা, পুৰুষ উত্তম ।
ত্ৰৈলোক্যতাৰক, ত্ৰিনয়ন, ত্ৰিবিক্ৰম ॥
ৰুক্মিণী-ৰমণ, জ্ঞান, ৰত্নেশ্বৰ গুৰু ।
সত্যভামা-বল্লভ, ভকত কল্পতৰু ॥
চিদানন্দ, সদানন্দ, দৈৱকী নন্দন ।
পূতনাজীৱনহাৰী বিৰিঞ্চি বন্দন ॥
গোবিন্দ গৰুড়ধ্বজ, অজন, যাদৱ ।
মধুমুৰ-ৰিপু-ৰাম, প্ৰিয়দ মাধৱ ॥
যোগীধ্যানপ্ৰদ, বলভদ্ৰ প্ৰিয়ানুজ ।
চাৰু ঘনশ্যাম, চক্ৰপাণি, চতুৰ্ভুজ ॥

দানবগঞ্জন, নিরাকার, নিরঞ্জন।
হৃষীকেশ, শিব, শৌরি, শকটভঞ্জন॥
সর্ব্বদেবময়, মহাত্মা, অসুরারী।
বৃষভবিধ্বংসী রিপু, বামন, বকারি॥
সুরবৃন্দ ব্রহ্ম, বাসুদেব, বিশ্বেশ্বর।
কালীয়মর্দ্দন, দেব দেব দামোদর॥
জগতব্যাপক, পুণ্যজনক চরিত্র।
জগতজনক, জগন্নাথ, জিতামৃত॥
গোবিন্দ আনন্দসিন্ধু, উপেন্দ্র, গোপাল।
জীবের জীবন, বনমালী মহাকাল॥
ভকতবৎসল, ক্লেষ-কলুষ-মোচন।
শ্রীবৎসলাঞ্ছন, কৃষ্ণ, কমললোচন॥
পুরাণ পুরুষ, পুণ্য শ্রবণ-কীর্ত্তন।
তুরন্ত, দয়ালু, দেব দারিদ্র্য ভঞ্জন॥
পদ্মনাভ, শম্ভু, বিভু, প্রভু, ভগবন্ত।
কতেক কহিবো মোর নাম অপর্য্যন্ত॥
একো একো নাম মোর জগত উদ্ধার।
স্মরণতে করে পাপ সমূহ সংহার॥
যেনমতে সিংহসনে গাজে মহাবেগে।
কোন ক্ষুদ্র মাতঙ্গ থাকে তার আগে॥
মোর নাম জানা যথি বাড়ব-অগনি।
পাতক শুকান বন লাগে তাত চলি॥

হওঁ অনুকূল নহি প্ৰচণ্ড বাতাস ।
তিলেক নলাগে দহি কৰে সৰ্ব্বনাশ ॥
কৃষ্ণৰ কিঙ্কৰে কৰে এবা আন কাম ।
কৃষ্ণ-শতনাম স্মৰি বোলা ৰাম ৰাম ॥

অষ্টোত্তৰ শতনাম ।

জয় জয় গোবিন্দ গোপাল গদাধৰ ।
কৃষ্ণচন্দ্ৰ কৰা দয়া কৰুণাসাগৰ ॥
জয় ৰাধা গোবিন্দ গোপাল বনমালী ।
শ্ৰীৰাধাৰ প্ৰাণধন মুকুন্দ মুৰাৰি ॥
হৰি নাম বিনেয়ে গোবিন্দ নাম বিনে ।
বিফলে মনুষ্য জন্ম যায় দিনে দিনে ॥
দিন গৈল মিছা কৰ্ম্মে ৰাত্ৰি গৈল নিদ্ৰে ।
নভজিলো ৰাধা-কৃষ্ণ চৰণাৰবিন্দে ॥
কৃষ্ণক ভজিবৰ লাগি সংসাৰে আসিলো ।
মিছা মায়ায় বদ্ধ হুয়া বৃক্ষসম হৈলো ॥
ফলৰূপে পুত্ৰ-কন্যা ডাল ভাগি পৰে ।
কালৰূপে সংসাৰত পক্ষী বাসা কৰে ।
যেতিয়া জন্মিলা কৃষ্ণ দৈৱকী উদৰে ।
মথুৰাত দেৱসৱে পুষ্পবৃষ্টি কৰে ॥

বসুদেৱে থৈল নিয়া নন্দৰ মন্দিৰে।
নন্দৰ আলয়ে কৃষ্ণ দিনে দিনে বাঢ়ে॥
শ্ৰীনন্দ ৰাখিল নাম নন্দৰ নন্দন।
যশোদা ৰাখিল নাম যাদুবাছা ধন॥
উপানন্দ নাম ৰাখে সুন্দৰ গোপাল।
ব্ৰজবালক নাম ৰাখে ঠাকুৰ ৰাখাল॥
সুবলে ৰাখিলা নাম ঠাকুৰ কানাই।
শ্ৰীদামে ৰাখিলা নাম ৰাখালৰাজা ভাই॥
ননীচোৰা নাম ৰাখে যতেক গোপিনী।
কালসোণা নাম ৰাখে ৰাধা বিনোদিনী॥
কুব্জা ৰাখিল নাম জগতৰ হৰি।
চন্দ্ৰাৱলী নাম ৰাখে বেণুবাদ্যকাৰী॥
অনন্ত ৰাখিল নাম অন্ত নপাইয়া।
কৃষ্ণ নাম ৰাখে গৰ্গে ধ্যানত জানিয়া॥
কন্ব মুনি নাম ৰাখে দেৱচক্ৰপাণি।
বনমালী নাম ৰাখে বনৰ হৰিণী॥
গজহস্তী নাম ৰাখে শ্ৰীমধুসূদন।
অজামিলে নাম ৰাখে দেৱ নাৰায়ণ॥
পুৰন্দৰে নাম ৰাখে দেৱ শ্ৰীগোবিন্দ।
দ্ৰৌপদী ৰাখিলা নাম দেৱ দীনবন্ধু॥
সুদামে ৰাখিলা নাম দাৰিদ্ৰ্যভঞ্জন।
ব্ৰজবাসী নাম ৰাখে ব্ৰজৰ জীৱন॥

দর্পহারী নাম রাখে অর্জ্জুন সুধীর ।
পশুপতি নাম রাখে গরুড় মহাবীর ॥
যুধিষ্ঠিরে নাম রাখে দেব যদুবর ।
বিদুরে রাখিলা নাম কাঙ্গাল ঠাকুর ॥
বাসুকী রাখিলা নাম দেব সৃষ্টি-স্থিতি ।
ধ্রুবলোকে নাম রাখে ধ্রুবের সারথি ॥
নারদে রাখিলা নাম ভক্ত প্রাণধন ।
ভীষ্মদেবে নাম রাখে সত্য নারায়ণ ॥
সত্যভামা নাম রাখে সত্যের সারথি ।
জাম্ববতী নাম রাখে দেব যোদ্ধাপতি ॥
বিশ্বামিত্রে নাম রাখে সংসারের সার ।
অহল্যা রাখিলা নাম পাষাণ উদ্ধার ॥
ভৃগুমুনি নাম রাখে জগতের হরি ।
পঞ্চমুখে রাম নাম গায় ত্রিপুরারি ॥
কুঞ্জকেশী নাম রাখে বলি সদাচারী ।
প্রহ্লাদে রাখিলা নাম নৃসিংহ মুরারি ॥
দৈত্যারি দ্বারিকানাথ দারিদ্র্যভঞ্জন ।
দয়াময় দ্রৌপদীর লজ্জা নিবারণ ॥
স্বরূপে সবারো হয় গোলোকত স্থিতি ।
বৈকুণ্ঠ ক্ষীরোদশায়ী কমলার পতি ॥
রসময় রসিক নাগর অনুপাম ।
নিকুঞ্জবিহারী হরি ম ॥

শালগ্রাম দামোদৰ শ্রীপতি শ্রীধন।
ত্রৈলোক্য তাৰকানাথ ব্রহ্ম সনাতন ॥
কল্পতৰু কমললোচন হৃষীকেশ।
পতিতপাৱন গুৰু জ্ঞান উপদেশ ॥
চিন্তামণি চতুর্ভুজ দেৱ চক্রপাণি।
দীনবন্ধু দৈৱকীনন্দন যদুমণি ॥
অনন্ত কৃষ্ণৰ নাম অনন্ত মহিমা
নাৰদাদি ব্যাসদেৱে যাৰ নপাই সীমা ॥
নাম ভজা নাম চিন্তা নাম কৰা সাৰ।
অনন্ত কৃষ্ণৰ নাম মহিমা অপাৰ ॥
শতভাৰ সুবর্ণ গো কোটি কন্যাদান।
তথাপিতো নোহে কৃষ্ণ নামৰ সমান ॥
যেই নাম সেই কৃষ্ণ ভজা নিষ্ঠ কৰি।
নামৰ সহিতে থাকে আপুনি শ্রীহৰি ॥
শুনা শুনা হেৰা ভাই নামৰ কীর্ত্তন।
যি নাম স্মৰণে হয় পাপ বিমোচন ॥
কৃষ্ণ নাম সত্য ভাই আন যে অসত্য।
পলাইবাৰ নাহি পথ যম যে পিচত ॥
কৃষ্ণ নাম হৰি নাম আতি সুমধুৰ।
যি জনে কৃষ্ণক ভজে সেহিসে চতুৰ ॥
ব্রহ্মা আদি দেৱে যাক ধ্যানে নাহি পায়।
সি হৰি বঞ্চিত হৈলে কি হৈব উপায় ॥

হিৰণ্যকশিপু কৈলা হৃদি বিদাৰণ।
প্ৰহ্লাদক ৰক্ষা কৈলা দেৱ নাৰায়ণ॥
বলিক ছলিবে হৰি হৈলাহা বামন।
দুৰ্ব্বাসাৰ শাপে কৈলা পাণ্ডৱ ৰক্ষণ॥
অষ্টোত্তৰ শত নাম যি কৰে পঠন।
অনায়াসে পায় সিটো কৃষ্ণৰ চৰণ॥
ভক্তবাঞ্ছা পূৰ্ণ কৰা শ্ৰীনন্দ নন্দন।
মথুৰাত কংস ধ্বংস লঙ্কাত ৰাৱণ॥
বকাসুৰ বধ আদি কালীয় দমন।
হৰি হৰি বোলা সবে কৰি একমন॥

—*—

গোপী শতনাম।

অনেক সহস্ৰ গোপী ৰূপে অনুপাম।
শুনা তাসম্বাৰ মুখ্য মুখ্য কিছু নাম॥
ইন্দুমতী, মদনমঞ্জৰী, ৰত্নমালা।
পদ্মাৱতী, কুন্তী, কুমুদিনী, চন্দ্ৰকলা॥
ৰোহিণী, হৰিণী, স্বয়ম্বৰী, বিদ্যাধৰী।
মাধবী, ৰাধিকা, মধুমতী মন্দোদৰী॥
ভাগ্যৱতী, ভগৱতী, গৌৰী ৰতী ৰামা।
বসুমতী, সতী, লীলাৱতী, তিলোত্তমা॥

শচী, ৰুচি, চম্পকলতিকা, কামপাশা ।
কাদম্বিনী, মদনদমনী মদালসা ॥
সুৰভী, সুৰসা, ৰসা উষা, সৰস্বতী ।
ভৱানী, ভূষিতা, ভূমি, ৰম্ভা, প্ৰভাৱতী ॥
কুমদা, কামদা, মন্দাকিনী যুগন্ধৰী ।
বিবধা, মুগুধা, মেধা, ধৰা, বসুন্ধৰী ॥
অধিৰঙ্গা, বিৰঙ্গা, ৰঙ্গনী, ৰসৰামা ।
কমললোচনী, চন্দ্ৰৰুচী, শচী শ্যামা ॥
সুপ্ৰজ্ঞা, সুভগা, সৌভাগিনী, শুভকলা ।
ভূষণা, ভীষণা, ভাস্বী, ভাৰতী, উৎপলা ॥
ইন্দিৰা, মন্দিৰা, হীৰা, তপতী, তৰুণী ।
কামিনী, ভামিনী, ভদ্ৰা, ভূষণা, ভৱানী ॥
সুপ্ৰভা, সুৰভী, ভাগীৰথী, ভানুমতী ।
কিঙ্কিণী, মালিনী, সুমালিনী, লীলাৱতী ॥
ইসব প্ৰমুখ্যে গোপী যুৱতী শতেক ।
কৃষ্ণক আবৰি ৰঙ্গে ক্ৰীড়িলা অনেক ॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি ।
বোলা হৰি হৰি পাপ যাওক অধোগতি ॥

নাৰায়ণ কৱচ।

শুকনিগদতি শুনা সুভদ্ৰাৰ নাতি।
বিশ্বৰূপে এহি অঙ্গীকাৰ কৰি আতি॥
দেৱগণে বৰিলা ভৈলন্ত পুৰোহিত।
কৰিলন্ত কাৰ্য্য যত গুৰুৰ বিহিত॥
অসুৰক ৰক্ষা কৰে শুক্ৰৰ বিদ্যাই।
তাক নষ্ট কৰিবাক দিলন্ত উপায়॥
নাৰায়ণ কৱচ দিলন্ত বাসৱক।
যাক পায়া ইন্দ্ৰে সৱে জিনিলা দৈত্যক॥
পুনু ত্ৰৈলোক্যৰ লক্ষ্মী পায়া সুৰপতি।
কৃষ্ণৰ প্ৰসাদে সৱে তৰিলা বিপত্তি॥
হেন শুনি পৰীক্ষিতে পুছন্ত শুকত।
কহিয়োঁ বান্ধৱ শুক মহা ভাগৱত॥
তুমি বিনে মোৰ প্ৰাণবন্ধু নাহি আন।
কৰায়োক মোক কৃষ্ণ কথা মধু পান॥
হৰি কথা ৰসে মোৰ নিমজ্জিল চিত্ত।
মৰাৰ মুখত যেন ঢালিলা অমৃত॥
নাৰায়ণ কৱচক পায়া শচীপতি।
লীলায়ে দৈত্যক জিনি সাধিলা জয়তি॥
সেহি কৱচৰ কথা মোত কহিয়োক।
চৰণে শৰণ লৈলোঁ উদ্ধাৰিয়োঁ মোক॥

ৰাজাৰ বচনে শুক ভৈলা আনন্দিত।
হাঁসিয়া বোলন্ত শুনা ৰাজা পৰীক্ষিত॥
পুৰোহিত হুয়া বিশ্বৰূপ মহামতি।
সাৱধানে পুছেহেন বাসৱক প্রতি॥
নাৰায়ণ কৱচ কহিলা সাৱঙ্গিতে।
তাক এবে কহোঁ ৰাজা শুনা একচিত্তে॥
বিশ্বৰূপ বদতি শুনিয়ো হৰিহয়।
যদি অকস্মাত আসি মিলে মহা ভয়॥
হস্তপদ প্রক্ষালিয়া উত্তৰৰ মুখে।
কুশহস্তে আচমন কৰি মহাসুখে॥
মূলমন্ত্রে অঙ্গন্যাস কৰন্যাস কৰি।
শুচি সংযমন হুযা মাধৱক স্মৰি॥
নাৰায়ণ কৱচক কৰিবে ধাৰণ।
অনায়াসে হৈব ঘোৰ ভয় নিবাৰণ॥
পদ জানু উৰুযুগ উদৰ হৃদিত।
উৰঃস্থলে মুখে শিৰে যথা ক্রমোদিত॥
প্রণৱাদি অষ্টাক্ষৰ মন্ত্র মহাৰঙ্গে।
ন্যাস কৰিবেক জানা সেহি সব অঙ্গে॥
দ্বাদশ অক্ষৰ মন্ত্র তাত অনন্তৰ।
ন্যাসিবেক অঙ্গুলিৰ পূৰ্ব্বে নিৰন্তৰ॥
হৃদি শিৰ কৰ মধ্যে শিখাত নেত্রত।
শৰীৰৰ সন্ধিস্থানে এহি ক্রম মত॥

ষড়ক্ষৰ মন্ত্ৰন্যাস কৰি শুদ্ধমন।
মকাৰ অক্ষৰে কৰিবেক দিগ্বন্ধন ॥
আপোনাক ঈশ্বৰ স্বৰূপে ধ্যান কৰি।
এহি মন্ত্ৰ উচ্চাৰিব মাধৱক স্মৰি ॥
মোৰ সৰ্ব্ব ৰক্ষা কৰন্তোক দেৱ হৰি।
গৰুড় পৃষ্ঠত পাদপদ্ম যুগ ধৰি ॥
খড়্গ চৰ্ম্ম, শঙ্খ, গদা বাণ আৰু পাশ।
ধনু ধৰি অষ্টভুজ জগত-নিবাস ॥
জলে জলজন্তু বৰুণৰ পাশহন্তে।
মোক ৰাখন্তোক মৎসৰূপী ভগৱন্তে ॥
স্থলে ৰাখন্তোক ত্ৰিবিক্ৰম যে বামন।
আকাশত বিশ্বৰূপে কৰোক ৰক্ষণ ॥
দুৰ্গম দাৰুণ বন সঙ্কট সংগ্ৰামে।
মোক ৰক্ষা কৰন্তোক নৰসিংহ নামে ॥
ৰাখন্তোক যজ্ঞৰূপী বৰাহে পথত।
যিটো উদ্ধাৰিলা ভূমি প্ৰলয় জলত ॥
পশু ৰামে ৰাখন্তোক গিৰি শিখৰত।
শ্ৰীৰাম লক্ষ্মণে ৰাখন্তোক প্ৰৱাসত ॥
অভিচাৰ মন্ত্ৰ যত আনো প্ৰমাদত।
নাৰায়ণে তাত মোক ৰাখন্তো সতত ॥
সৰ্ব্বত্ৰ ৰাখন্তো মোক নৰ কৃপাময়।
যোগভ্ৰষ্ট হন্তে ৰাখন্তোক দত্তাত্ৰেয় ॥

কপিলে ৰাখন্তো মোক কৰ্ম্ম বন্ধনত।
সনতকুমাৰে মোক ৰাখন্তো কামত॥
দেৱ হেলনত ৰাখন্তোক হয়গ্ৰীৱ।
কৃষ্ণ পূজা চিদ্ৰত নাৰদ সদাশিৱ॥
নৰকত হন্তে ৰাখন্তোক কূৰ্ম্মহৰি।
অপথ্য ভোজনে ৰাখন্তোক ধন্বন্তৰী॥
ক্ষুধা-তৃষ্ণা, লোভ-মোহ, শীত-উষ্ণ যত।
সৰভ ঈশ্বৰে মোক ৰাখন্তো সতত॥
যজ্ঞে ৰাখন্তোক মোক লোক কলঙ্কত।
বলভদ্ৰে ৰাখন্তোক দুৰ্ঘট কালত॥
অনন্তে ৰাখন্তো মোক সৰ্পৰ বিষত।
ভগৱন্ত ব্যাসে ৰাখন্তোক অজ্ঞানত॥
বুদ্ধে ৰাখন্তোক পাষণ্ডৰ বিবাদত।
কল্কী ৰাখন্তোক কলিমল পাতকত॥
প্ৰভাতত গদা ধৰি ৰাখন্তো কেশৱে।
বেণু ধৰি গোবিন্দে ৰাখন্তো আসঙ্গৱে॥
পূৰ্ব্বাহ্নে ৰাখন্তো শক্তি ধৰি নাৰায়ণে।
চক্ৰ ধৰি বিষ্ণুৱে ৰাখন্তো মধ্যদিনে॥
অপৰাহ্নে মধুৰিপু ধৰি উগ্ৰ শম্ভু।
সায়াহ্নে মাধৱে মোক ৰাখন্তোক প্ৰভু॥
সন্ধ্যাকালে হৃষীকেশ ৰাখন্তোক মোক।
অৰ্দ্ধৰাত্ৰি কালে পদ্মনাভে ৰাখন্তোক॥

পাছ ৰাত্রি ৰাখন্তোক শ্রীবৎসলাঞ্ছন।
প্রত্যূষ কালত খড়্গ ধৰি জনার্দ্দন॥
উভয় সন্ধ্যাত ৰাখন্তোক দামোদৰে।
ভগৱন্ত কালমূৰ্ত্তি যিটো বিশ্বেশ্বৰে॥
প্রলয় অগনি সম চক্র তীক্ষধাৰ।
মাধৱৰ আদেশে ভ্রমিয়ো নিৰন্তৰ॥
দহিয়ো দহিয়ো মোৰ শত্রু সেনা যত
শুকান বনক বহ্নি দহে যেন মত॥
হে কৌমুদকী গদা মাধৱৰ প্রিয়া।
গোবিন্দৰ দাস ভৈলো কৰিয়োক দয়া॥
বজ্রতো অধিক দৃঢ় দেখি হোৱে ভীত।
যক্ষ ৰাক্ষসাদি যত কৰা চূর্ণীকৃত॥
হে পাঞ্চজন্য মাধৱৰ প্রিয়া শঙ্খ।
মোৰ শত্রুগণৰ লগায়ো হৃদিতঙ্ক॥
প্রেত পিশাচক ঘোৰ যক্ষ ৰাক্ষসক।
চণ্ডনাদ কৰি সবে খেদায়ো দূৰক॥
শুনিয়ো নন্দক খড়্গ বৰ তীক্ষ্ণধাৰ।
প্রভুৰ আদেশে শত্রু ছেদিয়ো আমাৰ॥
হে শতচন্দ্র চর্ম্ম প্রিয় মাধৱৰ।
ঢাকিয়োক চক্ষুচয় শত্রু কটকৰ॥
গ্রহগণ কেতুহন্তে মিলে যিটো ভয়।
সর্প ব্যাঘ্র ভূতাদিত যিবা ভয় হয়॥

শ্ৰীকৃষ্ণৰ নামৰূপ অস্ত্ৰৰ কীৰ্ত্তনে।
সবে বিঘ্ন নষ্ট মোৰ হৌক এতিক্ষণে॥
বেদময় গৰুড় কৃষ্ণৰ মুখ্য যান।
সমস্ত দুঃখত মোক কৰা পৰিত্ৰাণ॥
আপোনাৰ নামে বিষ্বক্‌সেন ভগৱন্তে।
ৰক্ষা কৰন্তোক মোক মহাদুঃখ হন্তে॥
মাধৱৰ নামৰূপ আয়ুধ বাহন।
পাৰিষদগণ আৰ যতেক বাহন॥
মোৰ প্ৰাণ বুদ্ধি মন ইন্দ্ৰিয়গণ যত।
ইসবক ৰাখিয়োক সৰ্ব্ব আপদত॥
স্থূল সূক্ষ্ম প্ৰাণী যত আছে সংসাৰত।
ঈশ্বৰেসে হুই যেবে আছে স্বৰূপত॥
এহি সত্যে মোৰ যত উপদ্ৰৱ মানে।
সৱে নষ্ট হৌক কৃষ্ণ নাম স্মৰণে॥
যেবে স্বৰূপত এক নিৰ্ব্বিকল্প হৰি।
মায়ায়ে ভূষণ আদি ৰূপ আছে ধৰি॥
সেহি সত্যে সৰ্ব্বজ্ঞ ঈশ্বৰে সদা মোক।
সৰ্ব্বস্থানে সৰ্ব্বৰূপে ৰক্ষা কৰন্তোক॥
অৰ্দ্ধে-ঊৰ্দ্ধে দশোদিশে বাহ্য অভ্যন্তৰে।
পুৰু নৰসিংহ নামে ৰাখা নিৰন্তৰে॥
যাৰ নাদে লোকৰ গুচাইলা সবে ভয়।
নিজ তেজে সৱাহাৰ তেজ ভৈলা ক্ষয়॥

বিশ্বৰূপ বদতি শুনিয়ো হৰিহয়।
এহি দিব্য নাৰায়ণ কৱচ দুৰ্জ্জয়॥
কহিলো তোমাত আৰু ধৰিয়ো হৰিষে।
জিনিবাহা অপ্ৰয়াসে দৈত্যক নিঃশেষে॥
এহি কৱচক যিটো কৰিয়া ধাৰণ।
যাক যাক প্ৰতি কৰে চক্ষুৰে দৰ্শন॥
চৰণে বা কদাচিত পৰশ কৰয়।
সিয়ো জন জানা সবে ভয় মুক্ত হয়॥
ৰাজভয় বৈৰীভয় গ্ৰহভয় যত।
আধিব্যাধি আদি যত আছে সংসাৰত॥
কিছুৱে নপাৰে তাক জানিবা নিশ্চয়।
এহি মহা বিদ্যা যিটো হৃদয়ে ধৰয়॥
পূৰ্ব্বে এক আছিল কৌশিক নামে ঋষি।
তেহেঁা মহাবিদ্যা ইটো ধৰিলা হৰিষি॥
মৰুভূমি মাজে তেহেঁা প্ৰাণক ছাড়িলা।
বিদ্যাৰ প্ৰভাৱে পাছে মুকুতি লভিলা॥
এক দিনা চিত্ৰৰথ গন্ধৰ্ব্বৰ পতি।
অপেসৰা গণ সঙ্গে ৰথে কৰি গতি।
কৌশিকৰ অস্থিচয় ৰৈত আছে পৰি।
তাহাৰ উপৰে গৈলা দিব্য ৰথে চড়ি।
সেহি দোষে পুণ্যক্ষয় ভৈল সেহি কালে।
ৰথসমে অধোমুখে পৰিল নিচালে॥

পৃথিবীত পৰি দুঃখে কৰে হাহাকাৰ।
কোন দোষে হেন গতি ভৈলেক আমাৰ॥
পাছে বালখিল্য ঋষি সকলে কহিলা।
বৈষ্ণৱৰ অস্থিৰ উপৰে তুমি গৈলা॥
আউৰ তযু ৰথ নচলিব স্বৰ্গপথ।
দেখা বৈষ্ণৱৰ কেনে তেজৰ সমৰ্থ॥
এবে হেন কৰা অস্থিচয় তুলি লোৱা।
সৰস্বতী জলে নিয়া আপুনি লগোৱা॥
তেহে সেহি পুণ্যে ইটো পাপ কৰি ক্ষয়।
এহি ৰথে চড়ি যাইবা স্বৰ্গৰ নিলয়॥
শুনি চিত্ৰৰথে বালখিল্যৰ বচন।
শিৰে তুলি লৈলা বৈষ্ণৱৰ অস্থিগণ॥
ভক্তিভাৱে লগাই সৰস্বতীৰ জলত।
পৰম বিস্ময় তান মিলিল মনত॥
পাছে স্নান কৰি সেহি পবিত্ৰ জলত।
স্বৰ্গে লৰি গৈলা চড়ি দিব্য বিমানত॥
শুক নিগদতি শুনা অভিমন্যু সুত।
নাৰায়ণ কৱচৰ মহিমা অদ্ভুত॥
যিটো ইটো কৱচক শুনে এক মন।
যদি বা আদৰ ভাৱে কৰয় ধাৰণ॥
তাহাক সমস্তে প্ৰাণী কৰয় বন্দন।
সকলো ভয়ত সিটো হোৱয় মোচন॥

বিশ্বৰূপ ব্ৰাহ্মণৰ হস্তে মহামতি ।
এহি মহা বিদ্যাক জানিয়া সুৰপতি ॥
অসুৰ সৰক জিনি ঘোৰ সমৰত ।
ত্ৰৈলোক্যৰ লক্ষ্মীক ভুঞ্জিয়া অব্যাহত ॥
ইটো কথা এহিমানে ভৈল সমাপতি ।
মহেন্দ্ৰৰ আগে বিশ্বৰূপ নিগদতি ॥
কৃষ্ণৰ কিঙ্কৰে কহে এৰা আন কাম ।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥

ফোঁট লোৱা বাক্য।

ললাটে কেশৱ কণ্ঠে শ্ৰীপুৰুষোত্তম ।
গোবিন্দ দক্ষিণ পাৰ্শ্বে বামে ত্ৰিবিক্ৰম ॥
হৃদয়ত মাধৱ নাভিত নাৰায়ণ ।
মুৰ্দ্ধে বিষ্ণু কৰ্ণে জানা শ্ৰীমধুসূদন ॥
পৃষ্ঠে পদ্মনাভ, ভ্ৰূৰ মধ্যে হৃষীকেশ ।
বাহুমূলে বাসুদেৱ নাম সুবিশেষ ॥
তথা বাম বাহুত স্মৰিবে দামোদৰ ।
এহিক্ৰমে তিলক ধৰিব ভকত নৰ ॥
হৰিৰ দ্বাদশ নাম পৰম পাৱন ।
দ্বাদশ অঙ্গত ন্যাসি কৰিবে কীৰ্ত্তন ॥

বিষ্ণুৰ দ্বাবিংশতি অৱতাৰ।

১। কৌমাৰ সর্গ—অর্থাৎ সনৎকুমাৰ, সনক সুনন্দ, সনাতন, ২। বাৰাহ, ৩। নাৰদ, ৪। নৰনাৰায়ণ, ৫। কপিল, ৬। দত্তাত্রেয়, ৭। যজ্ঞ, ৮। নাভি, ৯। পৃথু, ১০। মৎস্য, ১১। কূৰ্ম্ম, ১২। ধন্বন্তৰী, ১৩। মোহিনী নাৰী বেশ, ১৪। নৰসিংহ, ১৫। বামন, ১৬। পৰশুৰাম, ১৭। ব্যাস. ১৮-১৯। শ্ৰীৰাম, ১৯-২০। কৃষ্ণ-ৰাম, ২১। বুদ্ধ, ২২। কল্কী।

সপ্ত বৈকুণ্ঠৰ নাম।

১। শ্বেতবিলাস ২। সান্তানুবিলাস, ৩। পুষ্পবিলাস, ৪। পঙ্কজবিলাস, ৫। কনকদণ্ড, ৬। সনাতন, ৭। গোলোক।

নৱ সিদ্ধৰ নাম।

১। কবি, ২। হৰি, ৩। অন্তৰীক্ষ, ৪। প্ৰবুদ্ধি, ৫। পিঙ্গলায়ন। ৬। আবিৰ্হোত্ৰ, ৭। চমচ, ৮। দ্ৰুমিল, ৯। কৰভাজন।

চাৰি ধাম।

১। জগন্নাথ, ২। দ্বাৰিকানাথ, ৩। ৰামনাথ ৮। বদৰীনাথ (বদৰিকাশ্ৰম)।

চা'র বেদ।

ঋক, যজু, অথর্ব্ব, সাম।
চতুর্থা বিভাগ বেদর নাম॥

চৈধ্য শাস্ত্র।

শিক্ষা, কল্প, জ্যোতিষ, মীমাংসা, ন্যায়, নীতি।
দণ্ড, ব্যাকরণ, আয়ুর্বেদ, ছন্দ, স্মৃতি॥
নিরুক্ত, গান্ধর্ব্ব, ধনুর্ব্বেদ আরু কাব্য।
এই চৈধ্য শাস্ত্র বুলি কহে সাধু সব্য।

ওঠৈর পুরাণ।

ব্রহ্ম, পদ্ম, বিষ্ণু, শিব, ভবিষ্য, নারদ।
ভাগবত, অগ্নি, লিঙ্গ, মার্কণ্ডেয় স্কন্দ॥
ব্রহ্মাণ্ড, গরুড়, কূর্ম্ম, বরাহ, বামন।
মৎস্য, ব্রহ্মবৈবর্ত্তক পুরাণ গণন॥

বার গোপাল।

স্তোককৃষ্ণ দেবপ্রস্থ, সুবল, সুদাম।
ঋষভ, বিশাল বরূথপ, বসুদাম॥
ভদ্রসেন, অর্জ্জুন, শ্রীদাম আরু দাম।
দ্বাদশ গোপাল মই করোহো প্রণাম॥

চৈতন্য পারিষদ।

কুমুদাক্ষ, পুষ্পদন্ত, বিষ্বক্‌সেন জয়।
জয়ন্ত, গরুড়, নন্দ, সুনন্দ, বিজয়॥
সাত্বত, প্রবল, উভবল, শ্রুতদেব।
কুমুদ প্রভৃতি পারিষদ করো সেব॥

বার বৈষ্ণব।

নারদ, প্রহ্লাদ, ভীষ্ম, শুক, মনু, হর।
ব্রহ্মা, বলি, যম, জনক, কপিল, কুমর॥

ছজন ভক্ত।

উদ্ধব, মৈত্রেয়, জাম্বুবন্ত, বিভীষণ।
হনুমন্ত, বিদুর, এহি ভক্ত ছয়জন॥

অষ্ট ঐশ্বর্য্য।

অনিমা, লঘিমা, প্রাপ্তি, প্রকাম্য, ঈশিতা।
মহিমা, বশিতা, কাম্য, ঐশ্বর্য্য কীর্ত্তিতা।

অষ্টাঙ্গ যোগ।

যম যে নিয়ম, আসন, প্রাণায়াম।
প্রত্যাহার, ধ্যান, ধারণা, সমাধি জান॥

অষ্ট প্ৰকৃতি।

পৃথিবী, জল, বহ্নি, বায়ু ও আকাশ।
অহঙ্কাৰ, মন, বুদ্ধি, প্ৰকৃতি, বিকাশ॥

দাসী সুত নাৰদৰ জন্মত
উপদেশদাতা চাৰি যোগেশ্বৰ

হংস, অৰুণী, যতি, বিভু।

দশ প্ৰাণ

প্ৰাণ যে অপ্ৰাণ, সমান, উদান আৰু ব্যান নামে প্ৰাণ।
নাগ যে কৃকৰ, কূৰ্ম্ম, দেৱদত্ত, ধনঞ্জয় দশ নাম॥

দশপাৰ

১। অক্ত, ২। বিষ্ণু, (পালক বিষ্ণু আৰু মহাবিষ্ণু) ৩। নাৰায়ণ (সূৰ্য্যমণ্ডলী নাৰায়ণ, জলশায়ী নাৰায়ণ আৰু শ্ৰীনাৰায়ণ) ৪। বাসুদেৱ (ৰাম, কাম, অনিৰুদ্ধ, বাসুদেৱ)।

ষোড়শ বিকাৰ তত্ত্ব

পঞ্চভূত—(পৃথিবী, জল, তেজ, বায়ু, আকাশ)
পঞ্চ কৰ্ম্মেন্দ্ৰিয়—(বাক্, পাণি, পাদ, পায়ু, উপস্থ)
পঞ্চ জ্ঞানেন্দ্ৰিয়—(চক্ষু, নাসিকা, কৰ্ণ, ত্বক, জিহ্বা)
এক মনঃ।

বৃন্দাবনৰ বাৰ বনৰ নাম

১। বৃন্দাবন, ২। মথুৰবন, ৩। ভদ্ৰবন, ৪। শ্ৰীবন, ৫। ভাণ্ডাৰীবন, ৬। তালবন, ৭। খদীৰবন, ৮। বাহুলাবন ৯। কুমুদবন, ১০। কাম্যবন, ১১। লৌহবন, ১২। মহাবন।

মহাতীৰ্থ

গঙ্গা, গয়া, কাশী, প্ৰয়াগ, যমুনা, গোদাৱৰী, সৰস্বতী, নৰ্ম্মদা, সিন্ধু, কাবেৰী, গণ্ডকী, কুৰুক্ষেত্ৰ, পুষ্কৰ তাম্ৰপৰ্ণী, কৃতমালা, পায়স্বিনী, প্ৰতাচী, মহানদী ইত্যাদি।

শ্ৰীশঙ্কৰদেৱৰ দশ নাম

শ্ৰীশঙ্কৰ, গদাধৰ, ইষ্টদেৱ, হৰি।
মহাপুৰুষ, গুৰু, আতা, আৰু ডেকাগিৰি।
গৃহস্থ, আচাৰ্য্য, এহি জানা নাম দশ।
যাহাৰ স্মৰণে হয় পাপৰ বিনাশ॥

স্থান বৰ্ণন

১। জয় জয় বটদ্ৰৱা বৈকুণ্ঠ তুতয়।
সেহি থানে নিজ গুৰু ভৈলন্ত উদয়॥
সেই থানে নিজ গুৰু পাৰিলন্ত পাট।
ৰাম নাম মহাৰত্ন বেসাইলন্ত হাট॥

মধ্যে পদশিলা দক্ষিণে নামঘৰ।
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ॥
দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্ম্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা॥
পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয়।
তাহাতে আউজি গুৰু পুস্তক লিখয়॥
উত্তৰে আকাশী গঙ্গা ভক্তিসৰোবৰ॥
মধ্যৰাত্তি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ॥
চাৰিকালে চাৰিহাটী মহাভক্তগণ।
চৈধায় প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন॥
সোহি থানে নিজ গুৰু কৰিলন্ত বাস।
কহয় পুৰুষোত্তম দাসকো দাস॥

২। সপ্ত বৈকুণ্ঠৰ শক্তি বৰদোৱা থান।
তথাতে ৰহিলা সৱে কৰিয়া কীৰ্ত্তন॥
যেত আসি গুৰুজনে ভৈলা অৱতাৰ।
অন্য ভূমি কোন সম হৈবে বৰদোৱাৰ॥
সত্ৰ থান চক্ৰ আদি মত অস্ত্ৰচয়।
চাৰি ৰূপে চাৰি বস্তু আসিয়া আছয়॥
কদম্ব শিলিখা বেল আক বৃক্ষ আম।
এই চাৰি বৃক্ষ চাৰি দিশে ভৈলা ধাম॥

ধ্বজ আদি পাদশিলা মধ্যে নামঘৰ ।
মুক্তে মণিকূট কৈলা শ্ৰীমন্ত শঙ্কৰ ॥
চাৰি দিশে চাৰি হাটী মহাভক্তগণ ।
চৈধ্যায় প্ৰসঙ্গ কৰে কৃষ্ণৰ কীৰ্ত্তন ॥
উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ ।
থান পূব দিশে থাকে ৰাম দামোদৰ ॥
দক্ষিণত বাসুদেৱ লক্ষ্মী সৰস্বতী ।
বাৰ ভক্ত চাৰি ধাম পশ্চিমত স্থিতি ॥
অনন্ত অচ্যুত প্ৰভু মধ্যে নিৰাকাৰ ।
জীৱক তাৰিবে লাগি ধৰিলা আকাৰ ॥
পৰক্ষেত্ৰ আদি ব্ৰহ্মপুত্ৰ তীৰ্থৰাজ ।
ভক্তি পাই ইসবেও তৰে সামৰাজ ॥
ব্ৰহ্মগীতা শাস্ত্ৰ দিয়া জলৰ মধ্যত ।
ব্ৰহ্মপুত্ৰে শৰণ লৈলেক শঙ্কৰত ।
কি কহিবো সিটো মই মহিমা থানৰ ।
বৈকুণ্ঠৰ সম সেই থান মনোহৰ ॥
হেন বৈকুণ্ঠক পৃথিবীত নিৰ্ম্মিলন্ত ।
সেহি বৈকুণ্ঠত প্ৰভু শঙ্কৰ বৈলন্ত ॥

শঙ্কৰ দেৱৰ মুখ্য ভক্তসকল।

শ্ৰীমাধৱদেৱ, শ্ৰীনাৰায়ণ ঠাকুৰ আতা, শ্ৰীৰাম আতা, ৰামৰাম গুৰু, ৰামৰাম, হৰিৰাম, ৰমামন্দ, সৰ্ব্বজয়, কমললোচন, হৰিচৰণ, কালিদাস, কালিৰাম, ভেকো, গদা, গোকুল, বুঢ়াখা ভূঞা, কমলিধৰা, পৰমানন্দ, গোবিন্দ, অনিৰুদ্ধ, দৈবজ্ঞ নাৰায়ণ, ৰৰভকত, বনগয়া গিৰি, হৰিগুৰু, সুন্দৰা নতুৱা লতিমা, তাপাৰ বলোৰাম, ৰৰকছা, সৰুকছা, কণ্ঠভূষণ গুৰু, ভাস্কৰ গুৰু, বিপ্ৰ দামোদৰ, গোবিন্দ বিপ্ৰ, বুঢ়া দলৈ, উদাৰগোবিন্দ, ৰামদাস, হৰিদাস, অবনা বনা বনকৰা, জগন্নাথ, ভীমা, বলোৰাম, জতিৰ মাধৱ, পুৰুষোত্তম, চতুৰ্ভুজ, চিলাৰায় দেৱান, গোবিন্দ, গৰমলি ইত্যাদি।

মাধৱদেৱৰ মুখ্য ভক্তসকল

কেশৱচৰণ আতা, বিষ্ণু আতা, গোপাল আতা, হৰিহৰ আতা, বেহেৰিয়া বিষ্ণু আতা, মথুৰাদাস আতা বদলাৰ পদ্ম আতা, ৰাম ৰাম আতা, মহোদানন্দ আতা, সহজানন্দ আতা, হৰি আতৈ, সঞ্জয় গুৰু, বংশীগোপাল গোসাই, আধাৰৰ যদুমণি, লাইহাটীয়া শ্ৰীহৰি বিপ্ৰ, ৰামচৰণ ঠাকুৰ, গোমাৰ গোবিন্দ, দামেপাৰে, শ্ৰীহৰি, নাৰায়ণ, নিৰঞ্জন, বুঢ়ীৰপো গোবিন্দ, জনাৰ্দ্দন, কামদেৱ, বালক দাস, চতুৰ্ভুজ, ঘাগৰিমাজি সাহন আতৈ ৰঘুনিৰঞ্জন,

পট্টিয়া লক্ষ্মীকান্ত, মনপুৰ, কেশ গায়ন, পুহকৰ, চিনিপাগদ বলাই, নগৰীয়া বলাই, খিৰা মৰল, মাধৱ মৰল, অচ্যুত গুৰ, বুঢ়া জয়নন্দ, নশিকাৰ পুৰাম, চোৰঙ্গিয়া শ্ৰীৰাম, বৰবৈকুণ্ঠ, সৰু বৈকুণ্ঠ, বৰ তুলসী, সৰু তুলসী, বৰ হৰি, সৰু হৰি, হৰি কৃষ্ণ, শিবানন্দ লহকৰ, ৰূপাবৰ লহকৰ, বোলাই, মাণিকপুৰীয়া কৃষ্ণ, কেশ হাজৰা, গন্ধৰ্ব্ব, ৰামচন্দ্ৰ লহকৰ, হৰিচৰণ, ভৃগু গুৰু ভৃগুমান্ত, জয়কলিতা, বোলবুজা বুঢ়া, কালিকেশ, ৰামৰাম, ৰামনাৰায়ণ, হৰিনাৰায়ণ, খৈ খোৱা দলৈ, কজলামাজী, বৰ যত্নমণি, সৰু যত্নমণি, ৰাম গুৰু, কানাই ইত্যাদি।

গোপালদেৱৰ মুখ্য ভক্তসকল।

নিৰঞ্জন দেৱ, বনমালী দেৱ, জয়হৰি দেৱ, মিশ্ৰ দেৱ, আধলীয়া যত্নমণি, হেঙ্গুলীয়া যত্নমণি, ভূঞাৰ পুত্ৰ অনিৰুদ্ধ, জগন্নাথ, বিষ্ণু, ভাৰতী, ৰামকন্দলি, মুকুন্দ, হৰিবল্লভ, মোহন, যত্নৰাম, দ্বাৰকা, লক্ষণ, গোকুল, পৰশুৰাম, সনাতন, কেশৱচৰণ, মধুসূদন, মাধৱচৰণ, ৰামচৰণ, মুৰাৰি, শ্ৰীপতি, শ্ৰবণী, বামন, কৃষ্ণচৰণ, যত্নমণি, ৰমাই, ৰঘুপতি, মথুৰাদাস, মাধৱ, ভৱানন্দ, হৰি, ৰামদাস, পকামধুসূদন, হৰিমিশ্ৰ, দীপনিয়াল ইত্যাদি।

এটকা মহন্তৰ সত্ৰ-স্থাপন যুনা

ঘোষা।

ভাবিয়ো ভাই, ঈশ্বৰৰ ৰূপ, নানান স্বৰূপ,
একৰূপ কৰি ভাবিয়ো ভাই হে।

পদ।

পূৰ্ণ ভগৱন্ত উদয় ভৈলা।
নিজ কীৰ্ত্তি থৈয়া বৈকুণ্ঠে গৈলা॥
সেহি গুপ্ত ধৰ্ম্ম জানি কলিত।
চাৰি মূৰ্ত্তি ধৰি হৈলা বিদিত॥
পূবত শঙ্কৰ সেৱে মাধৱ।
সঙ্গে দামোদৰ কৰে প্ৰণয়॥
পশ্চিমে ৰূপ সনাতন সেৱে।
উত্তৰে নিয়াযুত হৰি দেৱে॥
দক্ষিণে নিত্যানন্দ চৈতন্যক।
সেৱিত চাৰি মূৰ্ত্তি প্ৰকাশক॥
পূৰ্ব্বে ভাগৱত বৈকুণ্ঠে স্থিত।
শুক মুখে ভূমি ভৈলা বিদিত॥
নৈমিষা ক্ষেত্ৰে সূতে প্ৰচাৰিলা।
বাৰানসী স্থানে মহেশে নিলা॥
শঙ্কৰ আচাৰ্য্যত হস্তে পাই।
পদ্ম আচাৰ্য্যক দিলা চুনাই॥

পদ্মাচাৰ্য্যে ভট্টাচাৰ্য্যত স্থিত।
ভট্টাচাৰ্য্যে জগমিশ্রে বিদিত॥
জগদীশ মিশ্রে শঙ্কৰৰ ঠাই।
পূৰ্ণকৃষ্ণ জানি দিলা যোগাই॥
বৈকুণ্ঠে গৈলা মাধৱত থ'ই।
আৰৰ বিপ্ৰ দামোদৰক কই॥

ব্ৰহ্ম-সংহতি।

শুনিয়ো দামোদৰ আজ্ঞা পাই।
চাৰিজন বিপ্ৰে পথ সূচায়॥
প্ৰথমে বিদ্যা ভট্ট নাম ধৰি।
পাটবাউসীত সত্ৰক কৰি॥
গবৈমাৰী সত্ৰে সন্ত সত্তম।
বহুবিত হৰিদেৱ উত্তম॥
বৈকুণ্ঠপুৰে বলো বেহাৰত।
হৰিদেৱ আজ্ঞা যদু মাহাৰাত॥
বলোৰ আজ্ঞা পায়া বনমালী।
দক্ষিণপাট সত্ৰে ধৰ্ম্মক পালি॥
মাধৱৰ বাক্যে বংশী গোপাল।
দেবেৰাপাৰে কৰে ধৰ্ম্ম পাল॥
বংশীগোপালৰ বাক্যক ধৰি।
লবি মিশ্র দুই প্ৰচাৰ কৰি॥

মিশ্রৰ পুত্র ৰাম কৃষ্ণ ভাই।
কুকুৰাবাহী ডিফলুৰ ঠাই॥
লৰিৰ পুত্র লক্ষ্মী গড়মূৰে।
ভৈলন্ত আচাৰ্য্য জয়ৰাম ঠাকুৰে॥
ভ্রাতৃ ৰামচন্দ্র জয়পুৰত।
কনিষ্ঠ ৰামচন্দ্র চাপৰিত॥
লৰিৰ পুত্র আচাৰ্য্য নিৰঞ্জন।
আউনীআটীত কেশৱ শোভন॥
বামুণীয়া আৰা সৱ বোলয়।
শুনিয়ো নিকাপথ কহো মই॥

নিকা সংহতি।

বৰপেটা সত্রে মথুৰা দাস।
বেহাৰত ভৈলা বিষ্ণুৰ নিবাস॥
দক্ষিণকুলে বিষ্ণু চামৰিত।
ভাগিন ৰামচন্দ্র সুন্দৰীত॥
মধুপুৰ সত্রে পদো আতাই।
মাধৱৰ বাক্যে সদা প্রবৰ্ত্তয়॥
গোপাল বহুলাত অনুপাম।
কমলাবাৰীত শ্রীৰাম নাম॥
নিকাপথ কথা সমাপি থওঁ।
পুৰুষ সংহতি শুনিয়ো কওঁ॥

পুৰুষ-সংহতি।

ঠাকুৰ পুৰুষোত্তম শোভন।
তাহান আচাৰ্য্য দ্বাদশ জন॥
শ্ৰীকৃষ্ণ এলেঙী লেটুৰগ্ৰাম।
চিপহাত কৃষ্ণচৰণ নাম॥
বেঙেনাআটীত মুৰাৰি ভৈলা।
মুকুন্দ কাথৰ পুত্ৰক কৈলা॥
সাউকুচিত হৰিচৰণ খ্যাত।
কমললোচন থকৰিয়ালত॥
এহি ছয়জন শূদ্ৰ ব্ৰাহ্মণ আৰ।
শুনিয়ো কহো সত্ৰ কৈত কাৰ॥
পৰশুৰাম বৈলা পুনিয়াত।
চেকেৰাতলে গোপীনাথ খ্যাত॥
মৰঙ্গীয়ালত ৰাম কৃষ্ণ হয়।
চতমিয়াত বাসুদেৱ ৰয়॥
ভাগতী পৰমানন্দ ৰঙ্গপুৰে।
গোমোথাত ৰামকৃষ্ণ ঠাকুৰে॥
ৰেহেকৰা লক্ষ্মী ঠাকুৰ প্ৰিয়া।
নিৰঞ্জন জামাতাত ধৰ্ম্ম থাপিয়া॥
নিৰঞ্জন পুত্ৰ ত্ৰিতয় ভৈলা।
চক্ৰপাণি চামগুৰিত বৈলা॥

দীঘলী সত্রে শাৰঙ্গ পাণি।
গদাপাণি চৰাইখোলা কথানি॥
বৰ বাৰেজন আহান্ত জানি।
সৰু বাৰেজন শুনিয়ো তিনি॥
হালধিআটীত মুকুন্দ নাম।
কেশৱ কুঁৱৈচুণ্ডীত থাম॥
চুণ্ডাপাৰ সত্রে নাম কানাই।
বনগাৱেঁ হৰিদেৱ বোলাই॥
বিহিম পুৰত গোবিন্দ ভৈলা।
জয়হৰি ঘৰকটাত বৈলা॥
কাৱৈমাৰী সত্রে জয় গোপীনাথ।
সনাতন বেলসিদ্ধিত খ্যাত॥
মিছিমি হৰিচৰণ বুলি।
ভাকৰাত বিষ্ণুদেৱ সমুলি॥
গুৱাভাৰী সত্রে নামে কানাই।
বস্থাকৰে ৰাজগুৰু বোলায়॥
সৰু বাৰেজন কহিলো সাৰ।
ঠাকুৰ লেগ্তা শুনিয়ো আৰ॥
চতুৰ্ভুজ ভাৰ্য্যা কনকলতা।
তাহান আজ্ঞাত দুই শোভিতা॥
দুহিত্রী সুভদ্রা তান তনয়।
অনন্ত নামে কোৱামৰা ৰয়॥

ঠাকুৰ বহিনী গোবিন্দ প্ৰিয়া।
তান পুত্ৰ দামোদৰ থাপিয়া॥
আই কনকাৰ বাক্যক ধৰি।
নবোৱা থানে সত্ৰক কৰি॥
আই কনকাৰ বাক্যক পাই।
আৰু বাৰেজন সন্ত বোলাই॥
কৌপাতী সত্ৰে ৰাম চৰণ।
নাচপাৰ সত্ৰে ৰাম শোভন॥
নলতিয়ালত জয় গোপী শান্ত।
নেপালী সত্ৰে বৈলা ৰতিকান্ত॥
লক্ষ্মীপুৰে নাম ৰঘুপতি।
কস্তুৰি সত্ৰে স্থিত হৰি গতি॥
পৰমানন্দ কঠোৰ গ্ৰাম।
কমলাবাৰীত গোপাল নাম॥
নাচপাৰ সত্ৰে ৰাম শোভন।
পসাৰীতটে কৃষ্ণ গহন॥
শালমাৰী সত্ৰে কৃষ্ণ স্থিত।
বাচপতি নামে আৰু বিদিত॥
আই কনকাৰ বাক্যক পাই।
এহি বাৰজন সন্ত বোলাই॥
পুৰুষ সংহতি সমাপি থওঁ।
কালজাৰ পন্থ শুনিয়ো কওঁ॥

কালজ্ঞাৰ বা কালসংহতি

মাধৱৰ বাক্যে পূৰ্ণ গোপাল।
ভৱানীপুৰে কৰা ধৰ্ম্মপাল॥
শ্ৰীমন্ত গোপালৰ আজ্ঞাপৰ।
ভৈলন্ত বাৰজন ধৰ্ম্মধৰ॥
প্ৰথমে বৰ আতা নাম ধৰি।
শ্ৰীমন্ত যদুমণি দেৱ হৰি॥
বাংশবাৰী স্থানে সত্ৰ পাতিলা।
জগত জুৰিয়া ধৰ্ম্ম ৰাখিলা॥
আৰৱ সৰু যদুমণি হৰি।
ৰহিলা গজলাত সত্ৰ কৰি॥
ভূঞাৰ পুত্ৰ অনিৰুদ্ধ নাম।
লোহিত তীৰে কৰিলা থান॥
দহঘৰ সত্ৰে ভৈলা নাৰায়ণ।
নগৰীয়া সত্ৰে ভৈলা সনাতন॥
চৰাইবাহী সত্ৰে নামে মুৰাৰি।
বিপ্ৰ ছয়জন কহো বিচাৰি॥
অশ্বত্থগুৰিত শ্ৰীৰাম নাম।
ৰামচন্দ্ৰ খোৰামোচৰ থান॥
মকোৱাৰী পুৰুষোত্তম শোভন।
আৰৱ সন্ন্যাসী ৰামচৰণ॥

হাবুঙ্গ সত্রে পৰমানন্দ নাম।
ভৈলাহা বুঢ়াগুৰু অনুপাম॥
এহি বাৰ জন বাৰ থানত।
কন্তু গোপালৰ ধৰ্ম্ম সতত॥
গোপাল দেৱৰ পুত্ৰ কমল।
প্ৰৱৰ্ত্তে নাম ধৰ্ম্ম সুনিৰ্ম্মল॥
শুনিয়ো শ্ৰীমন্ত যদুমণি হন্তে।
যৈত যিবাজনে ধৰ্ম্মক কন্তে॥
জ্যেষ্ঠ আত্মজ সনাতন দেৱে।
শিলিখাতলে ধৰ্ম্ম প্ৰৱৰ্ত্তাৱে॥
ৰতিকান্ত লেঙদীত উদিত।
কনিষ্ঠ শ্ৰীকান্ত নৰমাটিত॥
ৰতিকান্ত পুত্ৰ উদিত ৰাম।
উদিত্ৰাম পুত্ৰ পঞ্চ অনুপাম॥
মুখ্যদ ভৈলা লেঙদীত।
কামদ ৰৈলা বাংশবাৰীত॥
জগধৰ শৰমৰাত স্থিত।
ৰৈলা নৰবৰ তৈলপানীত॥
গিৰিধৰ ধলসত্ৰত ৰৈলা॥
ইসৱ যদুনাতি ধৰ্ম্ম কৈলা॥
যদুমণিদেৱ আজ্ঞাক লৈলা।
শ্ৰীৰামানন্দ উদয় ভৈলা॥

জুৰকটা সত্ৰে কানাই নাম।
মহৰিয়ালত বিপ্ৰ অনুপাম॥
কাংশপাৰ সত্ৰে অনিৰুদ্ধ বৈলা।
ইসৰে দেৱ যদুধৰ্ম্ম গাইলা॥
শ্ৰীৰামানন্দ দেৱ আজ্ঞাত।
শুনিয়ো যিবা ধৰ্ম্ম কৰ্ম্ম কৈত॥
বৰ কৃষ্ণ মৈৰামৰাত স্থিত।
শ্ৰীকৃষ্ণ কাটনীপাৰে বিদিত॥
বলমী সত্ৰে দ্বিজ জয়ানন্দ।
ডিবুক সত্ৰে বৈলা সদানন্দ॥
এহি চাৰিমূৰ্ত্তি নাম ধৰ্ম্ম কন॥
বৰকৃষ্ণ পুত্ৰ জগমোহন॥
চেঙামুখ সত্ৰে তান তনয়।
উজনি সত্ৰে ব্ৰহ্মানন্দ ৰয়॥
মধ্যম চতুৰ্ভুজ মধ্যে স্থিত।
পদ্মনাভ মাজালিত বিদিত॥
জয়দেৱ মৈৰামৰাত থান।
শুনা শ্ৰীকৃষ্ণৰ পুত্ৰৰ নাম॥
জ্যেষ্ঠপুত্ৰ নামে সুদৰ্শন।
বাৰেঘৰ সত্ৰে শোভন॥
বুদবাৰী সত্ৰে বিজয়ানন্দ।
কাটনীপাৰত বৈলা সুনন্দ॥

সোদৰদেৱ সভানন্দ সঙ্গে।
সম্প্ৰদাধৰ্ম্ম প্ৰচাৰিলা বঙ্গে॥
গোকুলচান্দ সাপখোৱা থায়ে।
বিপ্ৰৰূপে কৃষ্ণ পদ ধিয়াৱে॥
ৰমাকান্ত আৰু ৰাম কানাই।
সুনন্দৰ আজ্ঞা মস্তকে লই॥
কাটনীপাৰত ধৰ্ম্ম থাপিলা।
শ্ৰীকৃষ্ণ চৰণ চিন্তি ৰহিলা॥
নৰমাটি সত্ৰে শ্ৰীকানাই।
সদা সুনন্দৰ পদ ধিয়ায়॥
শ্ৰীৰাম কানাইৰ নিজ শকতি।
হৃদিৰূপ নামে ভৈলা উৎপত্তি॥
জকাই সত্ৰে ধৰ্ম্ম কহিলা।
ইসৱে দেৱ যত্নধৰ্ম্ম কৈলা॥
কালজাৰ পথ ইহাক বুলি।
চাৰিও পথক কৈলো সমূলি॥
একে অগনিৰ অনেক নাম।
একে সুবৰ্ণৰ বহুত কাম॥
একে ঈশ্বৰৰ বহু মূৰ্ত্তি হয়।
জীৱক কৃপায়ে হোন্ত উদয়॥
বাস্তৱত একো ভিন্ন নোহয়।
অজ্ঞানী সকলে ভিন্ন মানয়॥

ইহাক যিটো ভেদভাৱ কৰে ।
অৰণ্যে সিটো তামিশ্ৰত পৰে ॥
ইটো সন্তাখ্যান কথা গহন ।
আমি মূঢ়মতি অলপ জন ।
তথাপি ৰচিবাক কৈলো আশ ।
ইদোষ ক্ষমিয়োক হৃদিবাস ॥
যত সন্তসব তাহান দাস ।
তান অনুদাস হৈবাৰ আশ ॥
প্ৰাৰ্থয় বিভু নাথে ওহি কাম ।
সমাজে ডাকি বোলা ৰাম ৰাম ॥

—সমাপ্ত—

STATE CENTRAL LIBRARY
Call No.......
A M.

জাননী

তলত দিয়া কিতাপবিলাক আমাৰ ওচৰত পাব।

তেৰখনীয়া বৰকৰতী ...	৸০
বৈষ্ণৱী কীৰ্ত্তন ...	১৲
অৰ্জ্জুনসংবাদ ...	৷০
ভীম-চৰিত্ৰ ...	৷৷৶০
কাণখোৱা ...	৶০
স্যমন্ত-হৰণ ...	৶০
কৃষ্ণ গীতা ...	৩৷০
ভক্তি-ৰত্নাকৰ ...	৪৲, ৫৲
দিয়া নাম (২) ...	১৲
শ্ৰীআদিদামল ...	১৷৷০
দিয়ানাম আগছোৱা ...	৷৷০
দিয়ানাম মাজছোৱা ...	১৲
নামাঞ্জলি ...	১৷৷০
ৰাষ্ট্ৰীয় সঙ্গীত ...	৷৶০
শ্ৰীমদ্ভগবদ্গীতা (অসমীয়া পাঙান সহ)	৫৲
শ্ৰীশ্ৰীকৃষ্ণৰ অষ্টোত্তৰ শতনাম ...	৶০
কুমৰ হৰণ ...	১৲
গুণমালা ...	৷৶০
ভটিমা ...	৷৴০
নামঘোষা (ভাঙৰ) ...	১৷০
বৰগীত ...	১৷০
লক্ষ্মী চৰিত্ৰ	৶০
হুচৰি কীৰ্ত্তন ...	৷০
ব্ৰাহ্মণ ক্ৰিয়াসাৰ ...	৸০
নল-দময়ন্তী (নাটক) ...	১৷০
ভীষ্মৰ শৰশয্যা (নাটক) ...	৷০
ভোটৰ বগৰ (নাটক) ..	৷০
ৰুক্মিণীহৰণ (নাটক) ...	৸০
শ্ৰীকৃষ্ণৰ জন্মাষ্টমী নাম-প্ৰসঙ্গ ..	৷০
বী [illegible] ...	৬৲

ইয়াৰ উপৰিও স্কুল-কলেজৰ পাঠ্যপুথি, নাটক, উপন্যাস, সাধুৰ কিতাপ, প্ৰাইজ আৰু লাইব্ৰেৰীৰ কিতাপ পোৱা যায়।

বৰকটকী কোম্পানী,
যোৰহাট।

যোৰহাট, অন্নদা প্ৰিণ্টিং হাউচত,
শ্ৰীগৌৰীচৰণ বৰকটকীৰ দ্বাৰা ছপা কৰা হল।